চান্দমামা

অগাস্ট ১৯৯৬

Let's make the world a sweeter place to live in.

I'm planting a Tulsi tree. Hope it grows into a B-I-I-G one.

Lovable, blind Chacha Kunwar. He's been my parents' guide. The least I can do is help him cross safely.

Aha! This time Dad's got the flu and Mum's told me to give him a dose of medicine.

Gangu Bai has coolly taken the day off. Leaving Radha Mausi and me in a soapy mess.

Before that rich glutton of a Raju snatches my Kaju Barfi, let me give it to poor Smita..

Naughty Timmy has got himself hurt. Now this lil' Doc will set him right.

I'm helping Uncle Rajeev with the car repairs. Though Mum said "I'll be a spanner in the works".

With Chandra, my maths teacher, numbers are fun. Time I gave her a dozen smiling roses.

Ravalgaon™

Years and years of sweet success

Avenues RS 100 96

ডায়মণ্ড কমিক্সৰ নিবেদন

কাৰ্টুনিষ্ট প্ৰাণৰ বিখ্যাত চৰিত্ৰ কম্পিউটাৰতকৈ তীক্ষ্ণ বুদ্ধিসম্পন্ন আৰু তেওঁৰ লগৰীয়া জুপিটাৰ বাসী অসীম শক্তিশালী ছাবুৰ কাহিনী সকলো বয়সৰ পাঠকৰ মনত আনন্দ দি আহিছে।

চাচা চৌধুৰীৰ নতুন কমিক্স

চাচা চৌধুৰী টোকিওত

-ঃ চাচা চৌধুৰীৰ আহিবলগীয়া কমিক্স ঃ-

অসহায়েকৰ বন্ধু, শয়তানৰ যম নিৰ্ভীক ফ্যান্টম গোটেই পৃথিবীত অন্যায়, অবিচাৰ আৰু নৃশংততাৰ বিৰোদ্ধেত যুজি আহিছে। গভীৰ হাবি বাস কৰিও তেওঁৰ কৰ্মক্ষেত্ৰ গোটেই দুনিয়াত বিয়পী আছে।
প্ৰকাশিত হৈছে ফ্যান্টমৰ লড়াইৰ গাশিয়ৰি উঠা কাহিনী

DIAMOND COMICS (PVT) LTD.

X-30, Okhla Industrial Area, (Phase-II) N. Delhi-20

SOLEDISTRIBUTORS: United Publishers, Pan Bazar Main Road, Guwahati-781001, Assam

চান্দমামা

*

অগাস্ট ১৯৯৬

এই * আছে

সংখ্যাত

গৌতম গোস্বামী
৭/৮/১৯৯৬

*

জৰুৰী, অতি জৰুৰী	:	৭	বৰ চুৰিয়াৰ ফেৰ	:	৩৭
পৃথিৱীৰ খিৰিকীৰে	:	৯	সোণালী ছুৰাৰ	:	৪১
আত্মশুদ্ধি	:	১০	মহাভাৰত	:	৪৫
ৰূপধৰৰ যাত্ৰা	:	১৭	চান্দমামা-ক্ৰোড়পত্ৰ	:	৫৩
চান্দ-সম্বাদ	:	২৪	ৰাক্ষনী ভুতুনী	:	৫৭
ভুলৰ ফুল	:	২৫	বান্দৰ হ'ল বন্ধু	:	৬৩
সাগৰৰ পাৰে পাৰে	:	৩৩	ফটো-প্ৰতিযোগিতা	:	৬৬

*

চান্দমামা : খনে : ৬'০০ টকা মাথোন
বছৰেকীয়া বৰঙনি : ৭২'০০ টকা মাথোন

"मेरि"
दुनिया भर की नारियों को, 31 से अधिक सालों से मनमोहक, खूबसूरत और मज़बूत स्वर्णपट्टित ज़ेवरों से सँवार रहे हैं।

मेरि अब पेश करते हैं चकाचौंध करने वाले रंगबिरंगे और उत्तम डिज़ाइन के ज़ेवर, जो शुद्ध चाँदी पर सोने का पानी चढ़ा कर और अमरीकी हीरो (A.D) से जड़ा कर बनाये गये हैं।

जेवर वी.पी.पी. द्वारा मँगाये जा सकते हैं। हमें ज़ेवर की संख्या का उल्लेख देते हुये लिखिये। मंदिर की मूर्तियो और भरत नाट्यम के लिए ज़ेवर बनाना हमारी विशेषता है। मुफ्त रंगीन सूचापत्र के लिये लिखिये। कृपया पत्रव्यवहार हिन्दी या अंगरेज़ी में ही करिये।



MERI GOLD COVERING WORKS
P.O. Box 1405, 18, Ranganathan Street, T. Nagar,
Madras 600 017, Phone: 444671, 442513

JUST RELEASED

The first set of **Chandamama Books,** splendid in their content, illustrations, and production, is now ready.



Rs. 30/-



Rs. 40/-



Rs. 30/-

Rs. 30/-



Rs. 25/-



Rs. 30/-

Discount for members of
Chandamama Young Scholars Club.

For details, write to :

CHANDAMAMA BOOKS
Chandamama Bldgs.
Vadapalani, Madras - 600 026.

চান্দমামা

সংস্থাপক : চক্ৰপাণি   সঞ্চালক : বি নাগিৰেড্ডি



জৰুৰী, অতি জৰুৰী

আমাৰ দেশৰ স্কুল-কলেজসমূহত পুনৰ এক নতুন শিক্ষাবৰ্ষ আৰম্ভ হ'ল। আৰু আৰম্ভ হ'ল অসংখ্য শিক্ষাৰ্থীৰ নাম লগোৱাৰ যাবে লৰা-ধপৰা। সম্প্ৰতি, এক সমীক্ষাত কোৱা হৈছে যে—আমাৰ পঢ়াশালিবিলাকৰ মাজত ৬০ ভাগমানৰ আনকি এখন কাঠৰ ফলিও (ব্লাক বোৰ্ড) হেনো নাই! শতকৰা ৩০ ভাগৰ কোনো লাইব্ৰেৰি বা ল্যাবোৰেটাৰিও নাই!

ঘটনা যদি এয়ে, তেনেহ'লে—ইমান লৰা-ধপৰাকৈ হায়ঔ-বিঔকৈ ভৰ্তি হোৱাৰ পাছত—সেই শিক্ষাৰ্থীসকললৈ কেনেধৰণৰ বিদ্যা দান কৰিব এই বিদ্যালয়সমূহে? যদিও মন্তব্যটি কটু, তথাপি ক'বৰ মন যায়, বিদ্যালয়ৰ নামত এনেবোৰ প্ৰতিষ্ঠানক 'বিদ্যাৰ দোকান' বুলিও কিজানি ক'ব পাৰি। এনেবোৰ 'বিদ্যালয়'ৰূপী প্ৰতিষ্ঠান যিবোৰে প্ৰতিষ্ঠা কৰে, বা চলাই থাকে—তেওঁলোকে যে দৰাচলতে এবিধ 'কাৰখানা'হে প্ৰতিষ্ঠা কৰিছে, চলাই আছে, সেইটি কথালৈ বোধকৰোঁ তেওঁলোকে ভুলে-পাহৰণেও মন নকৰে।

এনেবোৰ 'বিদ্যালয়' নামধাৰী দোকানবিলাকৰ কুফল—'উচ্চ-শিক্ষা'ৰ ক্ষেত্ৰত স্পষ্টৰূপে পৰিলক্ষিত হৈছে। সমীক্ষাত হৈছে যে—৪০ বছৰৰ আগতে যিস্থলত শতকৰা ৩০-৩২ ভাগ ছাত্ৰই বিজ্ঞানৰ শিক্ষা ল'ব পাৰিছিল, এতিয়া ১৯-২০লৈ নামি আহিছে, কিয়নো—কলেজবিলাকৰ অধিকভাগতেই বিজ্ঞান-শিক্ষাৰ কোনো ব্যৱস্থায়েই নাই! এই সংখ্যা ২-৩লৈ নমাৰ আগতেই—ব্যৱস্থা ল'ব নোৱাৰিনে?

বছৰ : ২১   অগাস্ট ১৯৯৬   সংখ্যা : ৫

খনে ৬'০০ টকা :: বছৰেকীয়া বৰঙনি ৭২'০০ টকা





চান্দমামা

মাহৰ পাছত মাহ ধৰি বিভিঃ ৰুচিৰ গল্প-কাহিনীৰ যোগেদি প্ৰচাৰ কৰিছে

ভাৰতৰ অতীত আৰু বৰ্তমান গৌৰৱ

৬৪ পৃষ্ঠাতকৈয়ো অধিক পৃষ্ঠাজোৰা বাৰেবৰণীয়া চিত্ৰ-সমৃদ্ধ

এই চান্দমামা পৌৰাণিক, কিংবদন্তিমূলক, ঐতিহাসিক ঘটনাৱলী,

মহান জীৱন কাহিনী, উচ্চ গুণ-মানৰ গল্প-কথাৰে ভৰপূৰ

১১টি ভাষাত আৰু লগতে সংস্কৃত ভাষাতো প্ৰকাশিত

ডল্টন এজেন্সিজ ১৮৮ এন. এছ. কে. ৰ'ড. মাদ্ৰাজ ৬০০ ০২৬

পৃথিৱীৰ খিৰিকীৰে

স্পেনদেশৰ পাতলি-তামোল

স্পেনদেশৰ ৰাইজক পৰিৱৰ্তন লাগিছিল, আৰু সেইহে ১৯৮২ চনত ৰঙা ঘোঁৰাত উঠি অহা স্োস্যালিস্ট ওৱাৰ্কাৰ্স পাৰ্টিক এইবাৰ পাটী লোৱালে। যোৱা মাৰ্চ মাহৰ ৩ তাৰিখে পতা নিৰ্বাচনত—স্পনীয় সংসদৰ ৩৫০ খন আসনৰ স্োস্যালিস্ট প্ৰধানমন্ত্ৰী ফিলিপ গনজালেছ-নেতৃত্বাধীন সোস্যালিস্ট পাৰ্টিয়ে সৰ্বমুঠ মাত্ৰ ১৪১ খন আসন পালে; আৰু জোছে মাৰিয়া আজনাৰ নেতৃত্বাধীন পপিউলাৰ পাৰ্টিয়ে পালে ১৫৬ খন আসন। কিন্তু চৰকাৰ গঠন কৰিবলৈ তেওঁক আৰু ২০ খন আসন লাগিছিল আৰু সেই আসন—কাট্‌লান ন্যাশ্যনাল পাৰ্টিয়ে পোৱা ১৬ খন, ভাস্ক্‌ ন্যাশ্যনালিস্ট পপিউলাৰ পাৰ্টিয়ে পোৱা ৫ খন আসনৰ সহায় লৈ চৰকাৰ গঠন কৰিলে।

প্ৰায় পোন্ধৰ জুৰি শাসন চলাই থকা স্োস্যালিস্ট পাৰ্টিৰ পতনৰ ভালেমান কাৰণ আছিল, যিবোৰৰ মাজত – ভেটি-খোৱাৰ কাৰণটোৱেই আছিল প্ৰধান। এই ভেটি-খোৱা কাৰণতে শাসক দলৰ ভেটিত তিতা লাউ গজিল। লগতে—শাসকদলৰ স্বৰাষ্ট্ৰমন্ত্ৰী মহোদয়ে 'ডেথ-ছোৰ্ডছ'ৰ সহায়তাৰে বিৰোধীপক্ষীয় ভাস্ক্‌ ন্যাশ্যনালিস্ট পাৰ্টিৰ কেইগৰাকী নেতাক হত্যা কৰোৱাইছিল বুলিও গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল, এই কাৰণে স্বৰাষ্ট্ৰমন্ত্ৰীক মন্ত্ৰীত্বৰপৰা হটোৱাও হৈছিল। কাট্‌লান ন্যাশ্যনালিস্ট পাৰ্টিয়ে শাসকদলৰ প্ৰতি সমৰ্থন প্ৰত্যাহাৰ কৰাত সাধাৰণ নিৰ্বাচন অৱশ্যম্ভাৱী হৈ উঠিছিল।

স্োস্যালিস্ট পাৰ্টিৰ শাসনকালত দেশৰ আৰ্থিক অৱস্থা টনকিয়ালে আছিল, বেকাৰী শতকৰা ৪০ ভাগ বাঢ়ি গৈছিল—ফলত দেশৰ যুৱ-শক্তি শাসকদলৰ প্ৰতি বিতুষ্ট হৈ উঠিছিল।

দ্বিতীয় বিশ্বযুদ্ধৰ কালত (১৯৩৯—১৯৪৫) ডিক্‌টেটাৰ জেনেৰ্যাল ফ্ৰাংকোই স্পেনদেশৰ শাসনভাৰ কটকটীয়াকৈ নিজ হাতত লৈছিল, আৰু তৎকালীন স্পেনদেশৰ ৰজাই দেশ এৰি পলাই গৈছিল জেনেৰ্যাল ফ্ৰাংকোই ঘোষণা কৰিছিল যে — তেওঁৰ মৃত্যুৰ পাছত স্পেনদেশ পুনৰ ৰাজবংশৰ শাসন প্ৰতিষ্ঠিত হ'ব, আৰু যুৱৰাজ জুৱান কাৰ্লোচক ৰজা পতা হ'ব। জেনেৰ্যাল ফ্ৰাংকোই ১৯৪৭ চনত এই ঘোষণা কৰিছিল আৰু ২৮ বছৰৰ অন্তত ১৯৭৫ চনত ফ্ৰাংকোৰ মৃত্যুৰ পাছত পুনৰ ৰাজ-শাসন প্ৰচলিত হৈছিল।

১৯৭৮ চনত স্পেনৰ নতুন সংবিধান ৰচিত হ'ল আৰু তেতিয়া ডেম'ক্ৰ্যাটিক পাৰ্টিৰ নেতা আডল্‌ফ স্বৰাৰেতক প্ৰধানমন্ত্ৰী পতা হ'ল।

১৯৮২ চনৰ নিৰ্বাচনত স্োস্যালিষ্ট ওৱাৰ্কাৰ্স পাৰ্টিয়ে অভূতপূৰ্ব বিজয়, আৰু একেৰাহে তিনি-বাৰলৈ দেশ-শাসনৰ দায়িত্ব পোৱাৰ পাছত চতুৰ্থ বাৰত ৰাইজে গন্‌জালেজক প্ৰত্যাখ্যান কৰিলে।

এই ঘটনাৰ পৰিপ্ৰেক্ষিতত স্োস্যালিস্ট পাৰ্টিৰ এগৰাকী উপনেতাই সখেদে মন্তব্য কৰিছিল: "ইমান ডাঙৰ বিজয়, আৰু ইমান ডাঙৰ-উঠা পৰাজয় আগতে কাহানিও চাকি চোৱা-নাছিলোঁ।"

আত্মশুদ্ধি

বুবাই বৰ বাহু-ডাক্ষি মৰাবিধৰ যুৱক। সকলোটিয়েই কয় কথাটো। কিন্তু চাকৰি কৰোঁতে সি চাকৰৰ দৰেই আচৰে, সক-বৰ সকলোটিলৈ চামৰ পীৰা পাৰি দিয়ে আৰু চাকৰিস্থলত বুবাই সকলোৰে প্ৰিয়। আৰু কিছুদিনৰ অন্তত বুবায়ে ৰজাৰ দৰবাৰত চাকৰি পালে।

দেশৰ ৰজা ইন্দ্ৰকান্তদেউ আছিল—খাৰ-কঢ়া জিভাৰে খিটখিটীয়া প্ৰকৃতিৰ ৰজা। তেওঁৰ কৰ্মচাৰীসকলক যেতিয়াই যি মন যায় কটু-কটুৰ কথা কৈছিল। এদিন হঠাৎ বুবাইকো তেওঁ ক'লে, "পুনৰ কেতিয়াও মোৰ আগত মুখ মুলিয়াবা।"

বুবাই বৰ চিন্তাত পৰিল : কিয় মহাৰাজে এনেহেন কথা এবাৰ ক'লে ?

ৰজাৰ মহামন্ত্ৰী সুধীৰদত্তই বুবাইক মতাই অনাই ক'লে, "বুবাই, তুমি তেওঁৰপৰা কৈফিয়ৎ বিচাৰিলেহে ভাল।"

বুবায়ে ক'লে, "মহাৰাজহে মোৰ প্ৰতি বিৰক্ত, মই মহাৰাজৰ প্ৰতি বিৰক্ত নহওঁ তো—। মই নিশ্চয় কিবা-নহয়-কিবা জগৰ লগাইছোঁৱেই। গতিকে—কৈফিয়ৎ মইহে দিব লাগিব। কি কৈফিয়ৎ দিওঁ—অনুগ্ৰহ কৰি পৰামৰ্শ দিয়ক।"

মহামন্ত্ৰী সুধীৰ দত্তই মহাৰাজক ক'লেগৈ, "মহাৰাজ, আপুনি যে মন গ'লেই মুখেৰে যাক যি ইচ্ছা কয়—এই কথা কিন্তু মন্দকথা। প্ৰকৃত সৎ যিসকল, সিসকলে এই কথাত বৰ দুখ পায় আপু বুবাই নামৰ আপোনাৰ কৰ্মচাৰী কটু-কটুৰ কথা কৈছে। কিন্তু কোনো অন্যায় কৰা নাছিল।"

মহামন্ত্ৰীৰ কথাত মহাৰাজ মৌন হৈ থাকিল। আৰু তাৰ পাছত তেওঁ ক'লে,

লখিমী কলিতা

"অনাৱশ্যক উগ্রতাৰ কৈফিয়ৎ মই দিয়া উচিত। কিন্তু বুবায়ে যে মোৰপৰা কৈফিয়ৎ বিচৰা নাই—সেয়া তাৰ সদ্‌গুণ, তাক পুৰস্কৃত কৰিম। ঠিক আছে—মই আজিৰেপৰাই বুবাইক সীতাপুৰ অঞ্চলৰ প্ৰধান গ্ৰামাধিকাৰীৰূপে নিযুক্তি দিলোঁ।"



প্ৰতিখন অঞ্চলতে একোজনকৈ প্ৰধান গ্ৰামধিকাৰী পতা হৈছিল। গ্ৰামাধিকাৰীয়ে একমাত্ৰ ৰজাকহে কৈফিয়ৎ দিব লাগিছিল। প্ৰতিজন গ্ৰামাধিকাৰীয়েই ব্যক্তিগতভাৱে এজনকৈ পৰামৰ্শদাতা লয়, আৰু বুবায়েও ল'লে। বুবায়ে পৰামৰ্শদাতা হিচাপে ৰমেশক ল'লে।

ৰমেশে বুবাইক সদায় সৎ পৰামৰ্শ দি থাকিল, আৰু তাৰ ফলত গাঁওসমূহৰ চোৰা-চিতাৰ কামো সুকলমে চলি থাকিল।

এদিন গ্ৰামাধিকাৰী বুবায়ে ৰমেশক সুধিলে, "ৰমেশ, গাঁওবিলাকৰ পৰিবেশ-পৰিস্থিতি অতি সুন্দৰ হৈ উঠিছে। এই পৰিস্থিতি — মোৰ কাৰ্য্যাৱলীৰ গুণতেনে তোমাৰ পৰামৰ্শৰ গুণতে—কোৰাচোন ?"

বুবাইৰ কথাত ৰমেশে হাঁহি হাঁহি ক'লে, "আচলতে — পৰামৰ্শৰ মাজত কোনো ধৰণৰ বিশেষত্ব আছে বুলি মই নাভাবোঁ, গতিকে— সুষ্ঠু পৰিচালনাৰ ক্ষমতা আপোনাৰ—এই কথা অভ্ৰান্ত।"

কিন্তু ৰমেশৰ উত্তৰত বুবাই সন্তুষ্ট নহ'ল, উত্তৰ কিঞ্চিত আওপকীয়া যেন লাগিল আৰু ৰমেশৰ ওপৰত কিঞ্চিত বিতুষ্ট হৈ গ্ৰামাধিকাৰী বুবায়ে—ৰমেশৰ উপৰিও — পৰামৰ্শদাতা হিচাপে অন্য এজনকো ল'লে। এই পৰামৰ্শদাতাজনৰ নাম আছিল শকুনি।

শকুনিও বুদ্ধিমন্ত মানুহ, কিন্তু কিছু দৰ্পী। বুবাইৰ পৰামৰ্শদাতা হিচাপে নিযুক্তি পোৱাৰ পাছত শকুনিৰ ধাৰণা হ'ল —গ্ৰামাধিকাৰীহঁতৰ নিজাকৈ দফতৰ থকাৰদৰে—গ্ৰামাধিকাৰীৰ পৰামৰ্শদাতা-হঁতকো নিজাকৈ দফতৰ লাগে।

কথাটো ৰমেশক কোৱাত ৰমেশে হাঁহি মাৰি ক'লে, "পৰামৰ্শদাতাই দফতৰেৰে কিনো কৰিব ? মহতকৈ শিং চৰা নহ'লেও হ'ব দিয়ক।"



সেইদিনাই শকুনিয়ে ইকথা-সিকথাৰ মাজত গ্ৰামাধিকাৰী বুবাইক ক'লে, "আপোনাৰ পৰামৰ্শদাতা হিচাপে মই নিজক অতি ভাগ্যৱান বুলি ভাবোঁ এই মহত্বপূৰ্ণ কৰ্মৰ বাবে যদি মোক আছু-তীয়াকৈ কোঠা এটা—মানে—পৰামৰ্শ-দাতাৰ দফতৰ হিচাপে এটা কোঠাৰ বন্দৱস্ত যদি কৰি দিয়ে—বৰ ভাল হ'ব। অৱশ্যে—আপোনাৰ আন পৰামৰ্শদতা ৰমেশৰ বক্তব্য হ'ল যে—পৰামৰ্শ-প্ৰদান কোনো মহত্বপূৰ্ণ বা গুৰুত্বপূৰ্ণ কামেই নহয়, একেবাৰে মূল্যহীন কাম।"

"হয়নে? ক'লেনে ৰমেশে—?" বুবায়ে বায়ু-ধুনা দিলে. "ঠিক আছে, মই আজিয়েই তোমালোকৰ কাৰণে এটাকৈ কোঠা বন্দৱস্ত কৰি দিম; কিন্তু পৰামৰ্শ—মই কেৱল তোমাৰপৰাহে ল'ম।"

"কিন্তু—ৰমেশে—তাক দফতৰ-টফতৰ নালাগে বুলি স্পষ্টকৈয়েই কৈ দিলে। তেনেহ'লে তাকনো কোঠা এটা—"

শকুনিৰ প্ৰশ্নৰ উত্তৰত বুবায়ে ক'লে, "নহ'লে—মই তোমাৰ প্ৰতি পক্ষপাতিতা কৰা বুলি সি লোকক ক'ব।"

আৰু সেইদিনাৰ পৰা শিং থাকিলে হালত বাব পৰা শকুনিয়ে শিয়ালৰ শিং দেখা যেন হৈ উঠিল, সি বুবাইকে কৈ থাকিল, আচলতে—গ্ৰামাধিকাৰী হ'ল গাঁৱৰ আচল ৰজা। গ্ৰামাধিকাৰীয়ে আনকি সকলোৰে সৈতে কথা পতাও উচিত নহয়, আনকি নমস্কাৰ-প্ৰণামাদি কৰিলেও— সেইবোৰলৈ মন নকৰা হৈ থাকিব লাগে। গ্ৰামাধিকাৰীৰ কিছু-কিঞ্চিত দৰ্প-গৰ্ব নাথাকে যদি—কোনেও বৰ নামানিব।"—ইত্যাদি ঢেৰ কুটি কথা।

বুবাই স্বভাৱগতভাৱে যে বাহু-ডম্ফীয়া—সেই কথা তাক জনাই জানে। শকুনিৰ কথাত বুবায়ে ভালেই পালে আৰু শকুনিৰ কথাৰ শলাগো ল'লে।

আৰু এইদৰেই, দিনৰ পাছ দিন ধৰি উখোৱা ধান খোৱা শিয়াল শকুনিয়ে বুবাইক উচটাই গাই বোৱাবলৈ ধৰিলে। লাহে লাহে একালৰ বাহু-ডম্ফীয়া বোলা নাম কিনা বুবাই সঁচাসঁচিকৈ বাহু

ডাক্তি মৰা গ্ৰামাধিকাৰী হৈ উঠিল, এতিয়া—ডৰৰ চোটত কটুৰ কথাৰ সোঁতত পৰাৰ ভয়ত — ৰাইজৰ বহুতেই আৰু গ্ৰামাধিকাৰী বুবাইৰ কাষই নচপা হ'ল। হাজাৰ হওক—ৰজাৰ লগত হাল-লগ কৰা গ্ৰামাধিকাৰী, গতিকে নচলিব জাৰিজুৰি —এই কথাকে সাৰোগত কৰি বহুতেই বুবাই গ্ৰামাধিকাৰী আৰু শকুনিৰপৰা থাকিল আঁতৰি।

ৰমেশ আগৰদৰেই হৈ থাকিল। কিন্তু —ৰমেশে যেতিয়া বুবাই গ্ৰামাধিকাৰীৰ মাজত—আমকি নমস্কাৰৰ প্ৰতি নমস্কাৰো নকৰা দেখা হ'ল—আৰু বুবায়ে যেতিয়া ৰমেশৰপৰা আৰু যিহা পৰামৰ্শ নিবিচৰা হ'ল, —তেতিয়া ৰমেশো বাধ্যত পৰি গ্ৰামাধিকাৰীৰপৰা আঁতৰি থকা হ'ল, উপযাচি দিহা-পৰামৰ্শ নিদিয়া হ'ল।

এদিন বুবায়ে ৰমেশক টানকো টান মাতেৰে নানান কথা-কুকথা কোৱাত ৰমেশে বুবাইক ক'লে, "শুনক, আপুনি অকাৰণে হোৱাই-নোহোৱাই মোক গালি পাৰে যদি—মই কিন্তু মহাৰজেৰ ওচৰত আপোনাৰ নামত গোচৰ দিমগৈ।"

এই কথাত বুবাই গ্ৰামাধিকাৰী কিঞ্চিত দমি গ'ল, তথাপি ফুটনিত বেঙেনা ভাজিবলৈ নেৰিলে, ক'লে, "যোৱাহে যোৱা, কি ক'বাগৈ কোৱা। ক'বলগীয়া আছেহে তোমাৰ ?"



ৰমেশে এই কথাৰ উত্তৰ দিবলৈ লওঁতেই বুবাই গ্ৰামাধিকাৰীয়ে আক্ৰোহৰে সৈতে কৈ উঠিল, "শুনা, তোমাৰ যি মন যায় কৰি থাকা, পিছে—মোৰ সৈতে তুমি আৰু মাত-বোল কৰাৰো চেষ্টা নকৰিবা কৈছোঁ।"

ৰমেশে ক'লে, "বাৰু ঠিক আছে, আপোনাক যদি এয়ে লাগে সেয়ে হ'ব।" এই বুলি কৈয়েই ৰমেশ তৎমুহূৰ্ততেই তাৰপৰা গুচি গ'ল।

এই ঘটনাৰ পাছৰপৰা ৰমেশে বাস্তৱিকতেই বুবাই গ্ৰামাধিকাৰীৰ সৈতে মাত-বোলকে নকৰা হ'ল। ৰমেশৰ সাহস চাই বুবাইৰ ৰমেশৰ ওপৰত খং উঠিল, এগৰাকী মান্য-গণ্য গাঁৱৰ ৰজালৈ ৰমেশ-

হেন ৰসাতললৈ যোৱাটোৰ—ইমানেই সাহ হ'লনে যে সি ৰজাৰ লগত হাল-লগ কৰাৰ সৈতেও ৰা-বা নকৰিব!

বুবাই গ্ৰামাধিকাৰীৰ মনৰ কথাৰ বুজ লৈ শকুনিয়ে এদিন বুবাইক বান্দৰ নচুৱা দি ক'লে, "আপুনি ৰমেশক এই অঞ্চলৰপৰা আদায় হোৱা কৰ-কাটলৰ হিচাপ দিবলৈ কওক। তেতিয়া সি বাধ্যত পৰি আপোনাৰ আগত লেটি ল'ব—সেও হ'ব।"

বুবায়ে ক'লে, "তাক মাতোঁ যদি—মইহে উপযাচি মাতিব লাগিব। কেনে-কৈনো সম্ভৱ? মোৰ মান থাকিব ক'ত?"

শকুনিয়ে ক'লে, "এই কথাতনো মান-সন্মানৰ কি? আপুনি অপোনাৰ গোমস্তা এটাক পঠাই তাক মাতি অনাৰ নামত ধৰি আনক। বছ।"

বুবায়ে শকুনি-পৰামৰ্শদাতাৰ পৰামৰ্শ-মতেই কাম কৰিলে, ৰমেশৰপৰা কৰ-কাটল অদায়ৰ মকৰা-হিচাপ কুজি পঠালে। আৰু—ৰমেশেও সেই হিচাপ গোমস্তাৰ হতুৱায়েই বুবাই গ্ৰামাধি-কাৰীলৈ পঠাই দিলে, নিজে নাহিল।

ৰমেশৰ এই ৰেৰ মৰা কাম দেখি বুবায়ে শকুনিক ক'লে, "এইবাৰ মই ৰমেশক ৰোষ ৰাখিবলৈ শিকাম।"

ঠিকেই কৈছে। ৰমেশৰ যি দেখিছোঁ—মৰাৰ পাখিহে গজিল. এইবাৰ আপুনি আপোনাৰ ক্ষমতাৰ মজা তাক চাকিবলৈ দিয়কেই। তেতিয়া সি পিতা-ঔ দেউতা ঔ বুলি থৰ-কাছুটি হেঁকুৱাই দৌৰি আহি আপোনাৰ ভৰিত দীঘল দি পৰিবহিয়েই। শকুনিয়ে শকুনি-বুধি দিলে "আপোনাৰ দৰে ভালোৰো ভালো যে কালৰো কাল হ'ব পাৰে—তাৰ জুতি ল'বলৈ দিয়ক।"

আৰু সিদিনাৰেপৰাই ৰমেশৰহু দিনৰ আৰম্ভণী। ৰমেশৰ খেতি-পথাৰৰ কৰ-কাটল হঠাৎ বাঢ়ি গ'ল, খেতি-পথাৰত সিঁচিবলৈ পানীৰ যোগান বন্ধ হ'ল, ৰমেশৰ খেতি-পথাৰৰ শস্য বজাৰত ভাল দামত নিবিকা হ'ল—ইত্যাদি।

ৰমেশে এইবোৰ-এনেবোৰ অন্যায়-অত্যাচাৰ সহি থাকিল।

কিছু দিনৰ অন্তত ৰমেশৰ ছোৱালী-জনীৰ বিয়া পতা হ'ল। ৰমেশে স্বয়ং ঘৰে ঘৰে গৈ, গাঁৱৰ সকলেকে নিমন্ত্ৰণ কৰিছিল, কিন্তু গ্ৰামাধিকাৰী বুবাইলৈ নিমন্ত্ৰণী পত্ৰ হে পঠাইছিল এজন কামকৰা মানুহৰ যোগেদি। এই কথাত প্ৰতাপী গ্ৰামাধিকাৰী বুবাইৰ বাখৰ উঠিল। বুবায়ে ৰমেশৰ এই কথাত কাৰ্য্যক দেখ দেখ অপমান বুলি ভাবি লৈ ৰমেশক লাণ্ডোডিঙি কৰিবলৈ আঁচনিত লাগিল। ভাবিলে: এটা লালুকীলৈ তপত পানী নালাগে, ধমকিৰেই ধাতু উৰাম।

গ্ৰামাধিকাৰী বুবাইৰ এইবোৰ আঁচনিৰ বেহ-ৰূপ জানি ৰমেশ মহামন্ত্ৰী সুধীৰদত্তৰ কাষ চাপিলগৈ। মহামন্ত্ৰী সুধীৰদত্ত আছিল ৰমেশৰ দূৰ-সম্পৰ্কীয় আত্মীয়।

সকলো কথা শুনাৰ অন্তত সুধীৰদত্তই ৰমেশক ক'লে, "ইয়াত দেখোন বুবাই বিৰালীটো হৈ আছিল। এতিয়া সি বাঘ হ'লনে? যি কি নহওক—তুমি নিঃচিন্ত হৈ থাকা, তাক মই উচিত শিক্ষাকে দিম, লাগিলে—তাক তাৰ পদৰপৰা খেদিম।"

সুধীৰদত্তৰপৰা সকলো কথা শুনাৰ অন্তত যুৱৰাজ চন্দ্ৰকান্তই ৰমেশক ক'লে, "এনেবোৰ ক্ষমতামদমত্ত ৰাজ কৰ্মচাৰীক শুধৰাবলৈ নিশ্চয় কিবা এটা কৰা হ'ব। মই তোমালোকৰ গাঁৱলৈ যাম। বহু দিনৰ আগৰ কথা। মোৰ দেউতাই এই

বুবাইৰ ওপৰত অবাবতেই ক্ৰুদ্ধ হৈছিল। মই—ইমান দিনৰ পাছত হ'লেও—দেউতাৰ হৈ বুবাইৰপৰা ক্ষমা-প্ৰাৰ্থনা কৰিম। মোৰ এই কাৰ্য্যয়েই কিজানি দাম্ভিক গ্ৰামাধিকাৰী বুবাইক ভালে-মূলে শুধৰাব পাৰিব।"

"কিন্তু—আপুনি সেই ক্ষমা প্ৰাৰ্থনা—সংস্কৃত ভাষাৰেহে কৰে যেন। মই সেই-খিনি সংস্কৃতৰপৰা অনুবাদ কৰি বুবাইক বুজাই ক'ম। বুবায়ে সংস্কৃত বুজি নাপাব।" ৰমেশে ক'লে।

যুৱৰাজ চন্দ্ৰকান্ত সতীপুৰলৈ—ৰমেশৰ তথা গ্ৰামাধিকাৰীৰ ওচৰলৈ গ'ল। যুৱৰাজে ৰমেশৰ সৈতে কথা পাতি থকালৈ চাই বুবাই ভয়াতুৰ হৈ উঠিল। আৰু

যেতিয়া বুবায়ে জানিলে যে তেওঁৰ দেউতাৰ হৈ ক্ষমা খুজিব বুলি তাৰ কাষ চাপিছে—তেতিয়া অহংকাৰেতোক প্ৰায় অহো-বলিয়াহেন কৰি তুলিলে আৰু এইবাৰ ৰাওমুৱা বামশক পোনাব পাৰিব বুলি ভাবিলে।

গ্ৰামাধিকাৰীৰ দফতৰত যুৱৰাজ, মহামন্ত্ৰী সুধীৰদত্ত, ৰমেশ, শকুনি, বুবাই তথা গাঁৱৰ মুখিয়াল মানুহ কিছুমান সমবেত হ'ল। যুৱৰাজ চন্দ্ৰকান্তই ক'লে, "মোৰ পিতাশ্ৰীয়ে যিবোৰ ক্ৰুটি-বিচ্যুতি কৰিছিল, মই মোৰ শাসনকালত সেই-বোৰ ক্ৰুটি শুধৰাম বুলি আশা কৰিছোঁ। মোৰ পিতাশ্ৰীৰ হৈ মই আমাৰ যোগ্য গ্ৰামাধিকাৰী বুবাইবৰ্মাৰপৰা ক্ষমা খুজিম। কিন্তু মই সংস্কৃত ভাষাৰেহে সেই ক্ষমা প্ৰাৰ্থনা ব্যক্ত কৰিম,আৰু ৰমেশে সেইখিনি কথা আপোনালোকক বুজাই ক'ব।"

শকুনিয়ে গুন-গুনকৈ বুবাইক ক'লে, "যুৱৰাজ বৰ বুদ্ধিশালী। এইদৰে তেওঁ আপোনাৰ সৈতে কথা পাতিবলৈ ৰমেশক বাধ্য কৰিব।"

শকুনিৰ কথাত বুবাইৰ বুকুখন যেনিবা সাত হাত ওখ হৈ উঠিল। কিন্তু যুৱৰাজে সংস্কৃতেৰে ক্ষমা প্ৰাৰ্থনাৰ অন্তত বুবাইক কবলৈ ধৰিলে, "গৰ্ব আৰু আত্মবিশ্বাসৰ মাজত বিস্তৰ পাৰ্থক্য, মাত বোল নকৰাটোৱেই আত্মগৌৰব। মই যুৱৰাজ হৈও তোমাৰ ওচৰত ক্ষমা প্ৰাৰ্থনা কৰি যি আহি দেখুৱালোঁ, তুমিও সেই আৰ্হি দেখুৱাবা বুলি মই আশা কৰিলোঁ। বিনম্ৰ সলনি দাম্ভিক গ্ৰামাধি-কাৰী এজনক দেশৰ ৰজাই কদাপি মানি ল'ব নোৱাৰে। ভুল ডাঙৰ কথা নহয়, আত্মশুদ্ধিহে ডাঙৰ কথা, গৌৰৱৰ কথা।"

এই ঘটনাৰ পাছত বুবাইৰ মাজত পৰিৱৰ্তন আহিল, আৰু আগলৈ বুবায়ে নিজক পৰিৱৰ্তনেৰে পৰিস্কৃত কৰি অহংকাৰ পৰিত্যাগ কৰি গ্ৰামাধিকাৰী হিচাপে সুনামৰ অধিকাৰী হৈছিল।

১২

[আগৰ কথা ঃ ৰূপধৰক বিচাৰি ওলাল পুত্ৰ ধীৰধৰ। খা-খবৰ লৈহে পুনৰ ইথাকালৈ উভতিব এয়ে হ'ল ধীৰধৰৰ পণ। যদি জীৱিত পিতাকৰ সন্ধান পায়, তেনেহ'লে তো কথাই নাই ; আনকি পিতাক মৃত বুলি জানিলেও ধীৰধৰ তাৰ সংকল্পত স্থিৰ হ'ব পাৰিব, বদমাছ ৰাজকোঁৱৰমখাক পোনাবলৈ তথা খেদিবলৈ প্ৰাণটাকি চেষ্টা কৰিব পাৰিব। এনেবোৰ কথা ভাবি ভাবি ধীৰধৰে এসময়ত সমুদ্ৰ তটস্থিত পৈলাচ পালেগৈ। আৰু তাৰ পাছত···]

ধীৰধৰৰ নাওবোৰে যেতিয়া পৈলাছৰ সমুদ্ৰতট পালেহি, তেতিয়া তাত অসংখ্য মানুহে বৰুণ-দেৱতালৈ ক'লা বৰণৰ বলধ বলি দিবলৈ যো-জা কৰি আছিল। তাত সৰ্বমুঠ নটা দলত মানুহ বহি আছিল, আৰু প্ৰতিটো দলত পাঁচশকৈ মানুহ বহি আছিল। ধীৰধৰ, আৰু লগতে সহন নামৰ এগৰাকী বৃদ্ধ মথিয়নো নাৱৰপৰা নামি আহিল, আৰু দুয়ো সেই উছৱৰ ঠাইলৈ বুলি আগুৱাই গৈ থাকিল।

মথিয়ন সহনে ধীৰধৰক ক'লে, "আমি ইয়াত এতিয়া নৰম্ভোতৰ সৈতে সাক্ষাৎ কৰিমগৈ। কোনো কথা গোপন নৰখাকৈয়েই তুমি তোমাৰ ইয়ালৈ অহাৰ উদ্দেশ্যৰ কথা নৰম্ভোতক ক'বা, তোমাৰ দেউতাৰাৰ বিষয়ে সুধিবা যে —তেওঁ যদি জীয়াই আছে—আছে ক'ত, আৰু ঢুকাল যদি — ক'ত ঢুকাল — জানে

যদি—নৰষ্টোতে নিশ্চয় তোমাক সকলো কথা ক'ব। সত্যক লুকাবৰ অভ্যাস নৰষ্টোতৰ মাজত নাই। তেওঁ সকৰেপৰাই অতি সজ্জন মানুহ, আৰু এই কথা সকলোৱে জানে।"

নৰষ্টোত তেতিয়া তেওঁৰ পুত্ৰৰ সৈতে বহি আছিল। আগন্তুক মানুহ দুজনক দেখা পাই নৰষ্টোতে পুত্ৰক পঠালে সেই দুজনক যথোচিত সন্মানৰে সৈতে আদৰি আনিবলৈ।

দুয়োজন আগন্তুকক নৰষ্টোতৰ পুত্ৰই পশু-চৰ্ম পাৰি দি আথেবেথে বহুৱালে আৰু তেওঁলোকক আঙুৰৰ ৰস আৰু লগতে বিধেবিধ সুস্বাদু ভোজ্য-পদাৰ্থেৰে আপ্যায়িত কৰিলে।

তৃপ্তিৰে পেট পুৰাই খোৱা-বোৱাৰ অন্তত নৰষ্টোতে আলহীদ্বয়ক সুধিলে, "এতিয়া কওক—আপোনালোক কোন? আৰু আপোনোলোকে কোন দেশৰপৰা ইয়ালৈ আহিল? কিবা কাৰ্য্যলৈ ইয়ালৈ অহিলনে? আন ক'ৰবালৈ যাওঁতে কিবা কাৰণত আপোনালোকে আমাৰ ইয়াত ৰ'লহি?"

মথিয়ন সহনৰ চকুৰ ইংগিতত ধীৰধৰে নৰষ্টোতক কৈ থাকিল, "মহাৰাজ, আমি ইথাকাদেশৰ মানুহ। ট্ৰয়ৰ যুদ্ধক্ষেত্ৰত আপোনাৰ সৈতে লগ লাগি যুদ্ধ কৰা গ্ৰিক বীৰ ৰূপধৰৰ খা-খবৰ বিচাৰি আমি আপোনাৰ কাষ চাপিছোঁহি। গ্ৰীক বীৰ ৰূপধৰ হ'ল—মোৰ পিতৃদেৱ। কিন্তু অদ্যাপি আমি পিতাশ্ৰীৰ কোনো সমাচাৰ পোৱা নাই, যদিও আন বহুতো

গ্ৰিক বীৰৰ বিষয়ে আমি জ্ঞাত হৈছোঁ। আপুনি যদি মোৰ পিতাদেৱৰ বিষয়ে সঠিক সম্বাদ জানে, অনুগ্ৰহ কৰি সম্পূৰ্ণ সত্যখিনি মোক কওক। পিতাশ্ৰী যে আপোনাৰ বন্ধু আছিল, সেই কথা মই জানো। আপুনি আৰু আমাৰ পিতাদেউয়ে একেলগে ভয়াল-ভয়ংকৰ যুদ্ধ কৰাৰ কথাও আমি সুপৰিজ্ঞাত। কিন্তু আপোনালোক যে পাছত বিছিন্ন হৈ পৰিল—সেই কথা আমি সমূলি জনা বা শুনাও নাছিলোঁ। —দয়া কৰি এতিয়া কওক, আমাৰ পিতাশ্ৰীৰ সম্বাদ কি— ?"

তেতিয়া নৰষ্টোতে ক'লে, "পুত্ৰ, তোমাৰ কথাত এতিয়া অতীতক সুঁৱৰি মই কিঞ্চিত আছন্ন হৈ পৰিছোঁ। যি কি নহওক— আমি বজ্ৰকায়ৰ নেতৃত্বত জাহাজৰপৰা নামি ট্ৰয় নগৰ অৱৰোধ কৰিবলৈ গৈছিলোঁ। আমি একেৰাহে নবছৰ ধৰি তাত যুদ্ধ কৰিছিলোঁ। আমাৰ সহযোদ্ধা কিমান যে সেই যুদ্ধক্ষেত্ৰত নিহত হ'ল—তাৰ সীমা-সংখ্যা নাই। এই দীৰ্ঘস্থায়ী আৰু ৰক্তক্ষয়ী যুদ্ধত আমিও কেইবাবাৰো মৰোঁ মৰোঁ হৈছিলোঁ। তোমাৰ পিতাশ্ৰী মোৰ অভিন্নহৃদয় বন্ধু আছিল। আমাৰ বিচাৰ-বুদ্ধি একেই প্ৰকাৰৰ হোৱাত এই বন্ধুত্ব প্ৰগাঢ় হৈ উঠিছিল। কিন্তু যেতিয়া আমি ট্ৰয়ৰপৰা দেশলৈ উভতি গৈ আছিলোঁ, তেতিয়া হঠাৎ আমাৰ মাজত এক দ্বন্দ্বই মূৰ দাঙি উঠিছিল। ঠিক সেই সময়ছোৱাতে—ৰাৰাজা আৰু প্ৰতাপৰ মাজতো ভয়ংকৰ দ্বন্দ্বই তীব্ৰ ৰূপ ধাৰণ কৰিছিল। উভয়েই

পৰস্পৰক হত্যা কৰিবলৈ দৃঢ় সংকল্পবদ্ধ হৈছিল। তেতিয়ালৈকো যিসকল যোদ্ধা তাত আছিল, সকলো দুয়ো পক্ষত ভাগ হৈ পৰিল। পাছদিনা মাজনিশা অধিক-ভাগ যোদ্ধায়েই প্ৰতাপৰ ফলীয়া হৈ পৰিল। আমি যেতিয়া টেনেটোছ পালোঁগৈ, তেতিয়া তোমাৰ দেউতাৰাই আমাক এৰি অকলেই বেলেগে ইথাকালৈ ৰাবগৈ বুলি ক'লে, আৰু তেওঁৰ লগ লাগি কিছুমান যোদ্ধাও গ'লগৈ। মই, দেৱমন্থ আৰু আন কিছুমানো পোনে পোনেই নিজ নিজ দেশ তথা ঘৰ পালোঁগৈ। বোপা, আ ন বি লা ক ৰ কি হ'ল—মই নাজানো। শুনিছিলোঁ যে—বজ্ৰকায়ৰ পুত্ৰ নৰম্বোতেও তেওঁৰ অনুচৰ-সহচৰ সকলৰে সৈতে নিৰ্বিঘিনিৰেই দেশ পাইছিলগৈ।

ৰাৱাজায়ো স্বদেশ পা ই ছি ল গৈ। অজবলে ৰাৱাজাৰ পত্নীক নিজৰ কৰি ল'লে, আৰু ষড়যন্ত্ৰ কৰি অজবলে ৰাৱাজাক হত্যা কৰিলে। আৰু তাৰ পাছত ৰাৱাজাৰ সাহসী পুত্ৰই পিতৃহন্তা অজবলক হত্যা কৰিলে।"

ধীৰধৰে নৰম্বোতক ক'লে, "ৰাৱাজাৰ পুত্ৰ বৰ ভাগ্যশালী; কিন্তু মই যে সেই সৌভাগ্যৰ অধিকাৰী হ'ব পাৰিম—তাৰ চিনমাত্ৰো দেখা নাই। এতিয়া আমাৰ ঘৰত কিছুমান বদমাছ ৰাজকোঁৱৰ নিগাজী হৈ বহি আছে, তেওঁলোকে আমাৰ ঘৰখনক নানান অত্যাচাৰেৰে জুৰুলা কৰিছে, ঘৰখনক মৰিশালিহেন কৰি তুলিছে। এই বদমাছ ৰাজকোঁৱৰ-বিলাকক মই কোনোদিনেই ঘৰৰপৰা খেদিব পাৰিমনে নাই—নাজানো।"

তোমালোকৰ ঘৰৰ এই অৱস্থাৰ কথা মোৰ কাণতো নপৰা নহয়। কিন্তু—তুমি কিয়নো হাত সাৰটি চুপচাপ বহি আছা? সেই বদমাছবিলাকৰ অত্যাচাৰ কিয়নো সহি আছা? সিহঁত তোমালোকৰ শত্ৰুহে। গতিকে—দেৱী বুদ্ধিমতীৰ কৃপা যেতিয়া তোমালোকৰ ওপৰত আছে—তেতিয়া তোমালোকে শত্ৰুক মাৰি ভৈয়াম কৰি খেদোৱাৰ কামত নিশ্চয়েই সফল হ'বা।"

নৰমোতৰ ধীৰধৰক এইখিনি কথা ক'লে।

সেই ৰাতি ধীৰধৰ নৰম্ভোতৰ ঘৰতে থাকিল, আৰু মথিয়ন সহন নাৰিকহঁতৰ ওচৰলৈ গ'ল।

পাছদিনা উষাকালতে ধীৰধৰ সাৰে পালে, আৰু তেতিয়াই স্নানাদি সমাপন কৰি প্ৰতাপৰ ওচৰলৈ যাবলৈ সাজু হ'ল। এখন ঘোঁৰা-বাগীত বিধেবিধ খাদ্য-সামগ্ৰী, যথেষ্ট পৰিমাণৰ খোৱাপানী আৰু অন্যান্য লাগতিয়াল বস্তু ভৰাই দিয়া হ'ল আৰু তাৰ পাছত নৰম্ভোতৰ পুত্ৰ এজনো ধীৰধৰহঁতৰ সৈতে গাড়ীত উঠি বহিল।

তাৰ পাছত—একেৰাহে দুইদিন ধৰি ঘোঁৰা-বাগী চলাই গৈ গৈ — এদিন নৰম্ভোতৰ পুত্ৰ আৰু ধীৰধৰহঁতে প্ৰতাপৰ কাষ পালেগৈ।

ঠিক সেই সময়ছোৱাতে প্ৰতাপৰ পুত্ৰী পাৰমিতাৰ বিবাহ পতা হৈছিল বজ্ৰকায়ৰ পুত্ৰৰ সৈতে। এই বিবাহলৈ বহু সংখ্যক ব্যক্তি নিমন্ত্ৰিত হৈছিল, আৰু দূৰ-দূৰ ঠাইৰপৰাও ভালেমান ব্যক্তি আহিছিল, এখন বিৰাট পথাৰত বিশাল সভা সজা হৈছিল। তাত সুমধুৰ গীত-বাদ্য শুনা গৈছিল।

এনেতে প্ৰতাপৰ দেহৰক্ষী এজনে তালৈ আহি প্ৰতাপক ক'লে, "মহাৰাজ, দুজন যুৱা এখন ঘোঁৰা-বাগীৰপৰা নামি আহিল। এতিয়া—আৰু সেই দুজনক ইয়ালৈকে মাতি আনিমনে সিহঁতক, বা তেওঁলোকক আন ক'ৰবালৈ যাবলৈ ক'ম?"

প্ৰতাপে বিৰক্তি প্ৰকাশ কৰি দেহৰক্ষীক ক'লে, "তুমি—ইমান মূৰ্খ বুলি মই নাজানিছিলোঁ। আমি যেতিয়া আন আন দেশলৈ গৈছিলোঁ—তেতিয়া সেই সেই দেশৰ মানুহে আমাক তাৰপৰা খেদি পঠাইছিলনে? অতি শীঘ্ৰে সেই আগন্তুক যুৱা দুজনক মোৰ ওচৰলৈ লৈ আহাঁগৈ, যোৱা, তুৰন্তে যোৱা, আৰু তেওঁলোকক এতিয়াই সসন্মানে আদৰি লৈ আহাঁগৈ।"

ধীৰধৰ আৰু নৰম্ভোতৰ পুত্ৰক লৈ

অহা হ'ল দেহৰক্ষীয়ে, সিহঁতে প্ৰতাপৰ ৰজপ্ৰাসাদলৈ চাই তেওঁলোকে অবাক হৈ পৰিল। এই সুবৃহৎ-সুৰম্য অট্টালিকাতে যেনিবা সূৰ্য্য আৰু চন্দ্ৰ প্ৰকাশমান।

প্ৰতাপৰ ইংগিতত এজন লিগিৰাই দুয়োকো স্নান কৰাবলৈ স্নান-গৃহলৈ লৈ গ'ল আৰু স্নানাদিৰ পাছত—পৰিষ্কৃত বস্ত্ৰাদি পিন্ধি অহাৰ পাছত—দুয়োজনে প্ৰতাপৰ দুকাষত ভোজনত বহিল।

প্ৰতাপে ক'লে, "পুত্ৰদ্বয়, তোমালোকক কোনোবাখন দেশৰ ৰজাৰ কোঁৱৰ যেন লাগিছে। প্ৰথমে ভোজ সমাপ্ত কৰাঁ, পাছত জানি ল'ম—তোমালোক কোন আৰু ক'ৰপৰা আহিছা।"

ভোজনৰ অন্তত ধীৰধৰে নৰম্ভোতৰ পুত্ৰক শুন-মুশুনকৈ ক'লে, "দেখিছানে ইয়াত সোণ-ৰূপৰ কিমান যে পয়োভৰ!"

কথাষাৰ প্ৰতাপৰো কাণত পৰাত তেওঁ ক'লে, "পুত্ৰদ্বয়, নানান দেশত পৰিভ্ৰমি এইবোৰ সম্পদ আহৰণ কৰা হৈছে। কিন্তু ট্ৰয়ত আমাৰ কিমান যে সহযোদ্ধাৰ মৃত্যু হ'ল! যদি তেওঁলোক জীৱিত থাকিলহেঁতেন, এইবোৰ ৰিপুল সম্পদৰ মাজত থকাতকৈ অনেক অধিক সুখী হ'লোহেঁতেন। তেওঁলোকৰ কথা মনত পৰে যেতিয়া, আপোনা-আপুনিয়েই চকুলো ওলায়। কিন্তু মই উচুপি থাকোঁ—এগৰাকী মহান গ্ৰিকবীৰ—ৰূপধৰৰ কথা সুঁৱৰি। কেতিয়াবা কেতিয়াবা—তেওঁৰ কথা মনত পৰিলে—মই আনকি নিদ্ৰাহীন ৰাত্ৰিও যাপিবলৈ বাধ্য হওঁ। তেওঁৰ পত্নী-পুত্ৰৰ যে কি অৱস্থা—অনুমান কৰি অন্তৰত



দুঃখ-প্ৰদাহ অনুভৱ কৰোঁ।" প্ৰতাপে বিমৰ্ষ ভাবেৰে ক'লে।

প্ৰতাপৰ এই কথাখিনি শুনামাত্ৰেই ধীৰধৰৰ দুগাল তিয়াই চকুলোৰ বৈ আহিল, আৰু ঠিক তেতিয়াই তালৈ সোমাই আহিল—অতুলসুন্দৰী।

ধীৰধৰলৈ চাই থাকিল তেওঁ। আৰু মৃদু কণ্ঠেৰে অতুলসুন্দৰীয়ে কৈ উঠিল,"এই যুৱা কোন? দেখাত ৰূপধৰ যেন লাগিছে।"

তেতিয়া প্ৰতাপেও পুনৰ ধীৰধৰলৈ নিবিষ্ট দৃষ্টিৰে চালে, আৰু ক'লে, "ওঁ—ওঁ, হয়, তুমি ঠিকেই কৈছা।"

নৰছোতৰ পুত্ৰই প্ৰতাপক ক'লে, "মহাৰাজ, আপোনালোকৰ অনুমান—সত্য। এওঁ ৰূপধৰ-পুত্ৰ ধীৰধৰ। পিতৃ নোহোৱা এওঁলোকৰ গৃহক কিছুমান লোভী-বদমাছ-কুচক্ৰী ৰাজকোঁৱৰে মিলি মৰিশালিহেন কৰি তুলিছে। আৰু এই বিষয়ে যথাৰ্থ সুপৰামৰ্শ একমাত্ৰ আপুনিয়েই দিব পাৰিব বুলি মোৰ পিতাশ্ৰীয়ে মোৰে সৈতে এওঁক আপোনাৰ ওচৰলৈ পঠালে।"

"কী যে বিচিত্ৰ কথা!" আচ্ছন্নৰ দৰে প্ৰতাপে কৈ থাকিল, "ৰূপধৰৰ পুত্ৰ মোৰ কুটীৰত!"

ধীৰধৰে ধীৰ কণ্ঠেৰে ক'লে, "মহাৰাজ, যদি আপুনি জ্ঞাত—আমাৰ পিতাশ্ৰী ৰূপধৰৰ সম্বাদ কওক মোক। আনকি সেই সম্বাদ নিদাৰুণ হ'লেও মোৰপৰা লুকাই ৰাখিব নালাগে। মই যথেষ্ট সহ্য-শক্তি আয়ত্ত কৰিছোঁ।"

মহাৰাজ প্ৰতাপে কিছুপৰলৈ তলমূৰ হৈ ভাবিলে, আৰু তাৰ পাছত শান্ত কণ্ঠেৰে ক'লে, "মই তেওঁৰ বিষয়ে যি জানো যিমান জানো—তোমাক ক'ম। মই সমুদ্ৰ পাৰ হৈ আহোঁতে এগৰাকী বৃদ্ধই মোক কৈছিল যে—ৰূপধৰৰ অনুচৰ-সকলৰ মৃত্যু হ'ল। আৰু—আৰু ৰূপধৰক সম্মোহনী জাদুকাৰীয়ে সম্মোহন কৰি কোনোবা দ্বীপলৈ লৈ গ'ল।" [আগলৈ

চান্দ-সম্বাদ

হাঁহি-উঠা কথা নহয় !

সুপ্ৰসিদ্ধ ‘গিনেজ বুক অব্ ৰেকৰ্ডছ’ৰ দৰে আমেৰিকীয় ‘ৰিপ্লেচ’ নামৰ সম্থায়ো বিশ্বৰ বিশেষ-সবিশেষ বিশ্বাস্ত-অবিশ্বসনীয় ঘটনাৱলী ৰেকৰ্ডবদ্ধ কৰিছে। এই পুস্তকৰ নাম হ’ল ‘ৰিপ্লেচ—বিলিভ ইট অৰ নট্’। এই পুস্তকত কিছুমানে এনেকুৱা বিষয় সন্নিৱিষ্ট হৈছে, যি বিষয়বস্তু বিশ্বাস কৰাটো টানবো টান। এই সম্থাৰপৰা এক হাঁহনৰ প্ৰতিযোগিতা পতা হৈছে। যিজনে ৰিচিত্ৰতমভাবে হাঁহিব পাৰিব, তেওঁক ১৫০ ডলাৰ (আমাৰ প্ৰায় পোন্ধৰ হেজাৰ টকা) পুৰস্কাৰ দিয়া হ’ব। এই হাঁহনৰ প্ৰতিযোগিতালৈ ভাগ ল’বলৈ—আমেৰিকালৈ যাব নালাগে, ফোনত হাঁহিলেই তেওঁলোকে ৰেকৰ্ড কৰি ল’ব আৰু বিজয়ীলৈ পুৰস্কাৰ পঠাই দিব।

কুকুৰ-কন্দলি !

আমেৰিকাৰ লছ এন্‌জেলছ নামৰ নগৰখনত হেৰাল্ড মাৰ্ধ্ নামৰ উকীল এজনৰ ‘ডেভিল মাৰ্ধ্’ নামৰ এটা কুকুৰ আছে। হেৰাল্ড মহোদয়ে যেতিয়া খানা-পিনা কৰিবলৈ হোটেললৈ যায়, তেতিয়া লগত এই কুকুৰটোকো লৈ যায়। এদিন হোটেল-মালিকে হেৰাল্ডক ক’লে, হেৰি ডাঙৰীয়া, কুকুৰক হোটেলৰ ভিতৰলৈ আনিব নাপায় নহয় ? স্বাস্থ্য-বিভাগৰ নিষেধ। বচ, আৰুনো কি লাগিছে ? হেৰাল্ডে কুকুৰটোক লৈ হেঁপাই-ফোঁপাই আদালতলৈ গৈ—দিলে গোচৰ হোটেলৰ মালিকৰ নামত। বিচাৰপতিৰ ওচৰত হেৰাল্ডৰ বক্তব্য হ’ল : কুকুৰ ইত যোৱা দহ হেজাৰ বছৰ ধৰি মানুহৰ ওচৰত আছে, মানুহৰ খাদ্য খাইছে, মানুহৰ ঘৰতে — কেতিয়াবা মানুহৰ লগতেও শুইছে টোপনি মাৰিছে — মানুহৰ উপকাৰ সাধিছে, মানুহৰ সৈতে একলগে জীৱন-যাপিছে। বলিয়া কুকুৰে কামুৰিলেহে জলাতংক বেমাৰ হয়, স্বাস্থ্যৱান ঘৰচীয়া কুকুৰবপৰা কোনো বেমাৰ-আজাৰ হোৱাৰ প্ৰমাণ নাই। —তেনেহ’লেনো হোটেলত কুকুৰৰ প্ৰৱেশ নিষিদ্ধ কিয় ? কুকুৰ বুলি কুকুৰধূলি নহয় নহয় ? —হেৰাল্ডৰ বক্তব্য এয়ে।

কেলেণ্ডৰীয়া ৰেকৰ্ড !

তিনিখন সংকলন মিলাই সৰ্বমুঠ আঢ়ৈ হেজাৰ পাত। এই সংকলিত পুস্তকৰূপী কেলেণ্ডাৰ এখনৰ কাগজৰ দামেই হ’ল পাঁচহেজৰ টকা এই কেলেণ্ডাৰত ১০,০০০ বছৰৰ মাহ-দিন-তাৰিখৰ হিচাপৰ বিৱৰণ পাব। ১৯৯৯ চনৰ পহিলা জুনৰ দিনটো—কি বাৰ ? পাত লুটিয়ালেই জানি ল’ব পাৰিব। মাদ্ৰাজৰ কুমাৰ নামৰ ডেকা এজনে এই অভিনৱ কেলেণ্ডাৰ যুগুতালে। আৰু কুমাৰৰ এই অভিনৱ কেলেণ্ডাৰ লিখোঁতে ৮৮ দিন লাগিছিল। জিলা কলেক্টাৰ, ৰোটাৰি ক্লাৱ, লাইয়ন্‌ছ ক্লাব, জুনিয়ৰ চেম্বাৰৰ প্ৰতিনিধিবৰ্গ-সকলৰ উপস্থিতিত কুমাৰে এই দুৰূহ আৰু সুবৃহৎ কামটি সমাপ্ত কৰিলে। আৰু এই দুৰূহ কামটি সুষ্ঠুৰূপে সমাপ্ত কৰাৰ বাবে প্ৰতিনিধিবৰ্গসকলৰপৰা পোৱা যোগ্যতা-পত্ৰৰ আধাৰত তেওঁ ‘গিনেজ বুক অব্ ৰেকৰ্ডছ’ত যোগ্য স্থান লভিলে।

ভুলৰ ফুল

অপৰাজেয় অন্তৰৰ অধিকাৰী ৰজা বিক্ৰমাদিত্য তথাপি নদমিল। তেওঁ পুনৰ সেই গছজোপাত ওলমি থকা শ'টো নমাই আনি, কান্ধত পেলাই লৈ মৰিশালিলৈ বুলি খোজ ল'লে। তেতিয়া শ'ৰ মাজত থকা বেতালে কৈ উঠিল, "হে ৰজা, তোমাৰ গুৰুৱে, বা তোমাৰ পিতৃয়ে হয়তো কিবা দুঃসাধ্য-অসাধ্য কৰ্ম তোমাক সাধিবলৈ দিছে— তেওঁলোকৰ আপোন গৌৰৱৰ বাবে। কিন্তু গুৰু বা পিতৃয়ে যে ভুল নকৰিব, তাৰ কোনো অৰ্থ নাই। তুমি যদি তেনেহেন কিবা ভুলৰ কাৰণে এনেহেন অহোপুৰুষাৰ্থ কৰিছা, তেনেহ'লে এদিন নিশ্চয় তুমি হতাশাৰ অন্ধকাৰতে জাহ যাবা—এই কথা ধ্ৰুৱ বুলি নশ্চয় জানিবা। মোৰ এই কথাৰ উদাহৰণস্বৰূপে মই তোমাক এগৰাকী বিৰাট বণিজাৰ বিশাখদত্তৰ বিশদ কাহিনী কওঁ' শুনা।" এই বুলি কৈ বেতালে ক'বলৈ ধৰিলে :

'বেতাল-কথা'



যিমান লাগে পাই থকাহেতুকে—ধনৰ মহত্বৰ কথা তুমি সুবুজা হৈছা। মই কওঁ তোমাক যি লাগে-যিমান লাগে নিজেই আৰ্জি লোৱা।"

পিতাকৰ কথাত ধনদত্ত একমত হ'ল। ধনদত্তই তৎক্ষণাৎ সিদ্ধান্ত ল'লে যে—সি-ও বেপাৰ-বণিজেই কৰিব। কিন্তু সমস্যা হ'ল যে—তাৰ মূলধন নাই।

পিতাক বিশাখদত্তই ক'লে, "বেপাৰ-বণিজৰ গুৰিকথা কিন্তু ধন-মূলধন নহয়; বাণিজ্যৰ গুৰিকথা বুদ্ধিমত্তা।"

"যদি আৱশ্যক হয়—ময়ো মোৰ বুদ্ধি-মত্তাকে মূলধন হিচাপে লৈ বেহা-বেপাৰ কৰিব পাৰিম। কিন্তু মোৰ পিতৃ হ'ল ধনী। গতিকে—মোক আপুনি মাত্ৰ এহেজাৰ মুদ্ৰা দিয়ক. এবছৰৰ অন্তত মই সুত-মূলে ঘূৰাই দিম।" ধনদত্তই ধান খেৰেদি উজান মাৰিলে।

"যদি ধন লাগেই—মই আগতীয়াকৈ তোমাৰ বুদ্ধিমত্তাৰ প্ৰমাণ ল'ম। তুমি সন্মতনে ?" বিশাখদত্তই যেনিবা বেঙেনাৰ গছত হাঁকুটি লগালে।

সূৰ্য্যনগৰৰ বিশাখদত্ত আছিল এজন বিখ্যাত বণিজাৰ তথা বেপাৰী। তেওঁৰ এক মাথোন পুত্ৰ ধনদত্ত যথেষ্ট বুদ্ধিশালী আছিল, কিন্তু পিতাকৰ ধন ধেঁৱাখুলীয়াৰ দৰে উৰাই ধনদত্তই আওবটীয়া হোৱাৰ বাট লৈছিল।

ধনদত্তৰ গতি-প্ৰকৃতিলৈ লক্ষ্য কৰি এদিন পিতৃ বিশাখদত্তই পুত্ৰক ক'লে. "বোপা, কথাতে বোলে—যেতিয়া ডাঙৰ হয় পুত্ৰ, তেতিয়া সি হয় মিত্ৰ। মই ভাল-বিয়াৰ বিষয়ে-তোমাক একো নকওঁ, কিন্তু তুমি যি বাট লৈছা, সেই বাটৰ বিষয়ে সতৰ্ক কৰাটো মোৰ কৰ্তব্য। তোমাৰ যথেষ্ট বুদ্ধি থকা সত্বেও দুৰ্বুদ্ধিয়ে তোমাক আওবটীয়া কৰিছে। তোমাক যি লাগে-

সূৰ্য্যনগৰৰপৰা বিছ ক্ৰোশ নিলগৰ ৰমনপুৰ নামৰ ঠাইত কৰটক আৰু দমনক নামৰ দুজন আধা তান্ত্ৰিক-আধা ঐন্দ্ৰ-জালিক মানুহ আছিল। এই দুজন হেনো অদ্ভুত শক্তিৰ অধিকাৰী—এয়ে আছিল জন-বিশ্বাস। কিবা নতুন কাৰ্য্যাৰম্ভৰ

আগতে এই দুজনৰ মাজত কোনোবা আলপৈচান ধৰি তুষ্ট কৰিব পাৰিলে— সেই কাৰ্য্যত হেনো সফলতা অৱশ্যম্ভাৱী।

বিশাখদত্তই তেওঁৰ পুত্ৰ ধনদত্তক ক'লে, "তুমি ৰমনপুৰলৈ যোৱা আৰু কৰটক-দমনকৰ সেৱা-যত্ন কৰাগৈ। কৰটকৰ ওচৰত ছমাহ, আৰু দমনকৰ ওচৰতো ছমাহ থাকিবা, আৰু দুয়োজনৰ-পৰা আশীৰ্বাদ ল'বা। তাৰ পাছত উভতি আহিবা, আৰু সেই দুজনৰ মাজত কোনজন উৎকৃষ্ট—মোক বুজাই ক'বাহি। তেতিয়া মই তোমাৰ বুদ্ধিমত্তাৰ বুজ ল'ব পাৰিম। বহুতেই কয় যে—কৰটক হ'ল দুষ্ট, আৰু কৰটকে কেৱল অভিশাপহে দিয়ে। তেওঁলোকৰ মতে—দমনক হ'ল শিষ্ট, আৰু দমনকে সকলো লৈকে আশীৰ্বাদ প্ৰদান কৰে এই দুজনৰ সম্পৰ্কে জন-বিশ্বাস কিমানলৈ সত্য, তুমি মোক জনাব লাগিব।"

পিতাৰৰ এই প্ৰস্তাৱতো ধনদত্ত সন্মত হ'ল, আৰু পাছদিনাই ৰমনপুৰলৈ বুলি খোজ লোৱা হ'ল।

প্ৰথমতে — ধনদত্ত কৰটকৰ কাষ চাপিল। ধনদত্তই তাৰ উদ্দেশ্যৰ কথা কৰটকক ভাঙি-পাতি কোৱাত কৰটকে ধনদত্তক ক'লে, "তুমি মোৰ সেবক হ'ব নালাগে, বন্ধুহে হ'ব লাগে। মোক যি মন যায় সুধি-পুছি তোমাৰ মনৰ সৰ্বসন্দেহ

গুচোৱা। কিন্তু এটা কথালৈ মন কৰিবা। মোক কেতিয়াও কোনো কথাতে বিতুষ্ট কৰি নুতুলিবা। যদি মোক বিতুষ্ট কৰা— মই ক্ৰুদ্ধ হৈ মুখেৰে যি ক'ম—তোমাৰ সেয়ে হ'ব—এই কথা ধ্ৰুৱ।"

কৰটকৰ পুত্ৰৰ নাম আছিল ভৰপক আৰু ছোৱালীজনীৰ নাম আছিল মাধুৰক। দুয়োজনেই আছিল বয়সত ধনদত্তকৈ ঢেৰ সৰু। ভৰপক-মাধুৰকে ধনদত্তৰপৰা নানান আজৰ কথা শুনিছিল, শুনি ভাল পাইছিল আৰু মনে-চিতে বিশ্বাসো কৰিছিল। লাহে লাহে ভৰপক-মাধুৰক ধনদত্তত ইমানেই বিশ্বাসী হৈ উঠিল যে ধনদত্তই কি কয় সিহঁতে তাকে কৰে, যি নকৰিবলৈ কয়—নকৰে।

এইদৰে, দিন যোৱাৰ লগে লগে সিহঁতে যেনিবা নিজৰ অস্তিত্বকে পাহৰি পেলালে।

ইপিনে—কৰটকে ধনদত্তক বেপাৰ-বণিজৰ বহু-বস্তুতো গুপুত-কিটিপ শিকাই দিলে। বেপাৰ-বাণিজ্যত যে দৰাচলতে সততা বোলা একো নাই— থাকিব নালাগে—ঢেৰ যুক্তি-প্ৰমাণেৰে তাক বিত বিত কৰি বুজাই দিলে।

এইবোৰ কথা শুনি এদিন ধনদত্তই কৰটকক সুধিয়েই পেলালে, "হে গুৰু, আপোনাৰপৰা মই অনেক নজনা কথা জানিলোঁ, নিশিকা শিকিলোঁ। কিন্তু আপোনাৰ কথা মতে—বেপাৰ-বণিজত যদি ন্যায়, সততা, ইমানদাৰী আদি ধোঁৰাচাওতে তুলি থ'ব লাগে, অধৰ্মৰ গৰাহত নপৰিমনে? অধৰ্মজনিত পাপৰ-পৰা উদ্ধাৰ পাবলৈ কিবা উপায়—কিবা পথ পামনে?"

"শুনা —" অতি নিৰ্জু মাতেৰে কৰটকে ধনদত্তক ক'লে, "বেপাৰ-বণিজ্যত সফলতা আৰ্জিবলৈ হ'লে—ধুমুৰ মিছাৰ আশ্ৰয় ল'বই লাগিব। পিছে—মাত্ৰ এটা কথালৈ লক্ষ্য ৰাখিব লাগিব যে—মিছাত নামি দেশৰ চৰকাৰৰ মিঠা পুখুৰীত বিহ নিদিয়া যেন। বছ। মাত্ৰ ইমানেই।"

গুৰুৰ এইখিনি কথা — ধনদত্তয়ো অতিশয় সঠিক যেনেই পালে।

আৰু জীৱনত মিছা কথা ঠিকেঠাকে ক'ব নোৱাৰিলে জীৱন সিঁচা পানীৰ সমান হ'ব---সেইটি কথা ধনদত্তই ভৰপক আৰু মাধুৰকৰ মগজুতো ভালকৈ সুমুৱাই দিলে। আৰু চাওঁতে চাওঁতে সিহঁত দুটা মিছাৰ বাহ হৈ উঠিল।

পুত্ৰ ভৰপক আৰু পুত্ৰী মাধুৰকৰ মাজত হোৱা পৰিৱৰ্তনলৈ কৰটকে আগতেও মন নকৰাকৈ নাছিল, কিন্তু এইবাৰ কৰটকে ধনদত্তক নকৈ নোৱাৰিলে যে—সি ল'ৰা-ছোৱালী দুজনক অধঃ-পতনলৈ লৈ যাব ধৰিছে।

ধনদত্তই কৰটকক ক'লে, "আপুনি মোক যি যেনেকৈ শিকাইছিল, ময়ো সিহঁতক তেনেকৈয়েই শিকাইছোঁ।

তেনেহ'লে — মই কিপ্ৰকাৰে সিহঁতক অধঃপাতলৈ—"

হাত দাঙি ধনদত্তক ৰখাই কৰটকে ক'লে, "বেপাৰ-বাণিজ্যত মিছা, আভুৱা, প্ৰতাৰণা আদি অতি সাধাৰণ কথা—ভাতৰ লগৰ পানীহে। আৰু এই কাৰণেই —মোৰ ল'ৰা-ছোৱালীয়ে বেপাৰ-বাণিজ্য কৰাটো মোক একেবাৰেই নালাগে।"

"তেনেহ'লে—মোক আপুনি এই-বোৰৰ বিৰুদ্ধে সতৰ্ক নকৰি উৎসাহিত কৰিছিল কিয়?" ধনদত্তই তীব্ৰ কণ্ঠেৰে কৰটকক সুধিলে।

"তেনেহ'লে কওঁ শুনা। সংসাৰখনত বেপাৰী-বণিজাৰৰ আৱশ্যকতা অতি প্ৰবল আৰু জৰুৰীও হয়। গতিকে—কিছুমানক বেপাৰ-বাণিজ্যত উৎসাহিত কৰিবই লাগিব। সেই বুলি—মোৰ নিজা সন্তানহঁতক মই নিজেই বিনষ্ট কৰিব নোৱাৰোঁ। যি কি নহওক — এতিয়া সিহঁতৰ পৰিৱৰ্ত্তিত কৰাটো তোমাৰ কৰ্তব্য।" কৰটকে গহীন মাতেৰে ক'লে।

"নিজৰ সন্তানৰ বাবে এবিধ, আৰু আনৰ বাবে অন্যবিধ—এয়েহেনে আপোনাৰ মত? তেনেহ'লে সন্তানহঁতৰ বাবেও সেই আয়োজনকে নকৰে কেলেই?" ধনদত্তই খাৰাংখাচ কৈ দিলে।

এইবাৰ কৰটকে খঙত ৰঙা পৰি খঁৱা দা জোকাৰিলে, "ঐ জধামূৰ্খ, তই আৰু

মোৰ আগত কেতিয়াও তোৰ কুৰূচ মুখখন নেদেখুৱাবি-নুলিয়াবি কৈছোঁ। মই অভিশাপ দিছোঁ তোৰ অমঙ্গল হওক।"

ধনদত্তয়ো কৰকটলৈ উপেক্ষা দেখুৱাই তাৰপৰা দপদপাই ওলাই গুচি গ'ল।

কিন্তু কেইখোজমান দিওঁতে-নৌ-দিওঁতেই বাটৰ ওপৰত পৰি থকা কলৰ বাকলিত হুৰুস্‌কৰে পিছল খাই পৰিল।

এজন মানুহ দৌৰি আহিল, আৰু উবুৰি খাই পৰি থকা ধনদত্তক দাঙি লৈ এগৰাকী বৈদ্যৰ ওচৰলৈ লৈ গ'ল। বৈদ্যই তৎমুহূৰ্ত্ততে নানান ডাল-পাত-শিপাৰপৰা ৰস উলিয়াই ধনদত্তৰ মোচোকা খোৱা ভৰিত প্ৰলেপৰ দৰে লগাই কাপোৰেৰে বান্ধি দিলে আৰু ধনদত্তৰপৰা কৰটকৰ

অভিশাপৰ কথাটোও জানি ল'লে।

বৈদ্যগৰাকীয়ে ক'লে, "আৰে বাপ্‌ৰে বাপ্‌! কৰটকৰ অভিশাপ! কেৱল আজিয়েই নহয়, প্ৰতিদিনেই তোমাৰ কিবা নহয় কিবা ঘটনা-দুৰ্ঘনা হ'ব। শীঘ্ৰে কৰটকৰপৰা ক্ষমা খুজি শৰণ লোৱাগৈ।"

"শাপ-অ ভি শা প ত মোৰ কোনো বিশ্বাস নাই লাগিলে মই দিনৌ আপোনাৰ ওচৰলৈ দৰব ল'বলৈ আহিম, কিন্তু কৰটকৰপৰা ক্ষমা বা দয়া বা শৰণ-তাৰণ একোৱেই মই নিবিচাৰিম।" ধনদত্তই খাৰাংখাচ কৈ দিলে।

বৈদ্যগৰাকীয়ে অলপমান ভাবি লৈ ক'লে, "শুনা, বিশাখদত্তৰ আজ্ঞাতে—যিমান দিনলৈ আৰশ্যক হ'ব—তোমাক মই চিকিৎসা কৰিম। কিন্তু তুমি সদায় কিয় দুৰ্ঘটনাৰ চিকাৰ হ'ব লাগে? তুমি এটা কাম কৰা, তুমি দমনকৰ ওচৰলৈ যোৱা। তাত তুমি ভালেই পাবা।"

ধনদত্তই আচৰিত মানি বৈদ্যক সুধিলে, "তেওঁ—দমনক গুৰুজনাই মোক শিষ্য হিচাপে ল'বনে? তেওঁ হ'ল—"

"তেওঁ হ'ল তোমাৰ ৰক্ষাকৰ্তা, বাটৰপৰা তোমাক যিজনে উঠাই লৈ আহিছিল—তেৱেঁই আছিল দমনক। তেওঁ অতি পৰোপকাৰী। তেওঁ কালৈকো অভিশাপ নিদিয়ে, সদায় সকলোতে সকলোকে আশীৰ্বাদহে দিয়ে।" বৈদ্যই ক'লে।

ধনদত্ত দমনকৰ কাষ চাপিল, নিজৰ চিনাকি দিলে, আৰু কৰটকৰ তাত হোৱা ঘটনা-দুৰ্ঘটনাৰ কথা সবিস্তাৰ কৈ, তাক ব টৰপৰা উঠাই বৈদ্যৰ ওচৰলৈ লৈ অহাৰ বাবে আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলে।

দমনকে ধনদত্তক ক'লে, "পুত্ৰ, বেপাৰ-বাণিজ্যত ৰাইজক সেৱা কৰাটো অতি উৎকৃষ্ট পৰোপকাৰ। কিন্তু বেপাৰ-বাণিজ্যত কিঞ্চিত কৌশলৰো যে আৰশ্যক —তাক মুই কৰিব নোৱাৰি। যি কি নহওক—তুমি মোৰ লগত থাকা, আৰু ইয়াতে বেহা-বেপাৰ আৰম্ভ কৰি দিয়া। যি লাভ হ'ব, এধাএধিকৈ ভগাই ল'ম। মূলধন ময়েই দিম।—তুমি সন্মতনে?"



দমনকৰ কথাখিনি শুনি ধনদত্তই বাস্তৱিকতে আচৰিত মানিলে। ধনদত্তই ক'লে, "হে মোৰ গুৰু, আপুনি যে মহান ব্যক্তি—সেই কথা মই বহু আগতেই শুনিছো, কিন্তু— বেহা-বেপাৰ কৰাত মোক উৎসাহিত কৰিছে কিয়—তাকেহে মই বুজা নাই।"

দমনকে হাঁহি মাৰি ক'লে, "বৈদ্যই চিকিৎসাৰ বাবে ধন লোৱা হয়, গায়কে-বাদকেও ধন লয়। আহাৰ্য্য দ্ৰব্যত ভেজাল মিহলোৱাটো — বেপাৰত বৰ সহজ কাম। এই কাৰণেহে মই তোমাৰ লগত লগে-ভাগে বেহা-বেপাৰ কৰিবলৈ প্ৰস্তাৱ আগবঢ়াইছোঁ।"

দমনকৰ কথাত ধনদত্তই ভালেই পালে আৰু পাছ-দিনাৰেই পৰাৰেই বেপাৰত ধৰিলে।

নিজৰ আগ্ৰহ, আৰু হয়তো দমনকৰ আশীৰ্বাদৰ ফলত ধনদত্তই দোপত দোপে বেপাৰত উন্নতি আৰু লাভৰো উপৰি লাভ হৈ থাকিল। আৰু—ছয় মাহতেই ধনদত্তই বেপাৰত সফলতাৰ এক আহিঁ-হেন হৈ উঠিল।

দমনকে মূলধন হিচাপে ধনদত্তক এহেজাৰ মুদ্ৰা দিছিল। প্ৰথম মাহত চাৰিশ মুদ্ৰা লাভ হৈছিল, আৰু দুয়োজনে দুশকৈ ভগাই লৈছিল। দ্বিতীয় মাহত সাতশ মুদ্ৰা লাভ কৰিছিল, আৰু ধনদত্তই দমনকক আধাখিনি দিছিল। তৃতীয় মাহত আৰু চতুৰ্থ মাহত দুয়োজনেই পাঁচশকৈ মুদ্ৰা লাভ হিচাপে পাইছিল।

কিন্তু পঞ্চম মাহত যেতিয়া ধনদত্তই দমনকক লাভৰ অংশ হিচাপে পূৰা হেজাৰ মুদ্ৰা দিবলগীয়া হ'ল, তেতিয়া দমনকক এদিন ধনদত্তই ক'লে, "ডাঙৰীয়া, আপোনাৰ মূলধন—সুতৰো সুতৰ সৈতে আপুনি ঘূৰাই পোৱা হ'ল। আগলৈ আপুনি আৰু লাভৰ অংশ নুখুজিলে মই ভাল পাম।"

দমনকে ভুৰু কোঁচাই ক'লে, "সেই কথা নচলিব। আমি দুয়োজনেই লাভৰ ভাগীদাৰ হৈ থাকিম। মূলধন যিহেতু মোৰ, লাভৰ আধা মোৰ প্ৰাপ্য।"

"তেতিয়াই এই বিষয়ে লিখিত কিবা কৰা উচিত আছিল, কিন্তু যিহেতুই নহওক —আগলৈ মই কোনো লাভৰ ভাগ আপোনাক দিয়াত নাই।" ধনদত্তই চাফ-চাফ কৈ দিলে।

"তেনেহ'লে আজিৰপৰা তোমাৰ কিবা অমংগল হ'লে তাৰ দায়িত্ব মই নলওঁ।" দমনকেও খাৰাখাচ ক'লে।

তাৰ পাছত ধনদত্ত সূৰ্য্যনগৰলৈ উভতি আহিল. আৰু পিতাকক সকলো কথা খুলি-মেলি ক'লে। ক'লে যে— "কৰটক আৰু দমনক দুয়োজনেই দুষ্ট আৰু ঘোৰ স্বাৰ্থপৰ। দৰাচলতে দুয়োজনেই মোক অভিশাপ দিছিল।"

তেতিয়া বিশাখদত্তই ক'লে, "তুমি যে কিমানৰ কি—মই জানিলোঁ। তুমি বেপাৰ-বণিজ একো কৰিব নোৱাৰিবা, খেতি-খোলা, গৰু-ম'হ পালন কৰা।"

এই কাহিনী কোৱাৰ অন্তত বেতালে ৰজা বিক্ৰমাদিত্যক সুধিলে, "হে ৰাজন্! বিশাখদত্তই ধনদত্তক এই কথা কৈ ভুল তথা অন্যায় কৰা নাছিলনে? সঠিক উত্তৰ জানিও যদি নিদিয়া, তেনেহ'লে তোমাৰ মূৰ ফাটি চাৰিফাল হ'ব।"

বেতালৰ প্ৰশ্নৰ উত্তৰত ৰজা বিক্ৰমাদিত্যই ক'লে, "কৰটক আৰু দমনক যে স্বাৰ্থপৰতাৰ দোষত দুষ্ট, ধনদত্তৰ বিবৰণৰ-পৰা বিশাখদত্তই সেই কথা ভালকৈ বুজি পাইছিল; কিন্তু পুত্ৰ ধনদত্ত যে কৰটক-দমনকতকৈও স্বাৰ্থী আৰু বচনভংগকাৰী— সেই কথাটোও সমভাবেই উপলব্ধি কৰিছিল। গতিকে—বিশাখদত্তই ধনদত্তৰ প্ৰতি কোনো অন্যায় বা ভুল কৰিছিল বুলি কোৱাৰ থল নাই। আৰু যদি তেওঁ ভুল কৰিছিলওবা, সেই ভুলৰ ভালখিনি ধনদত্তৰ জীৱনত ফুল হৈ ফুলিছিল।"

ৰজা বিক্ৰমাদিত্যই এই কথা কোৱাৰ লগে লগেই বেতালে সেই মৃতদেহটোৰে সৈতে পুনৰ সেই গছজোপালৈ সাউতকৰে গুচি গ'ল। [কল্পিত

কৰ্ণাটকলৈ

ৰচনঃ মীৰা নায়াৰ * চিত্ৰণঃ গৌতম সেন



গোৱাৰ সমুদ্ৰতটৰপৰা দক্ষিণদিশলৈ আগবাঢ়ি গ'লে আমি মাৰগাঁও পামগৈ, যি মাৰগাঁও হ'ল ভাৰতৰ প্ৰাকৃতিক সমুদ্ৰ-বন্দৰৰ অন্যতম। এই বন্দৰ অতি কৰ্মব্যস্ত, ইয়াৰপৰা সুপ্ৰচুৰ পৰিমাণৰ দ্ৰব্য-সামগ্ৰী ৰপ্তানি কৰা হয়। বিশেষকৈ গোৱাৰ খনিজদ্ৰব্য—ম্যাংগানিজ আৰু লৌহ-মাক্ষিক।

মাৰগাঁৱৰপৰা সামান্য দূৰত থকা কোল্‌বা, যি-কোল্‌বাত আছে গোৱাৰ সৰ্বাধিক দীৰ্ঘ সাগৰবালি। ইয়াৰপৰা কাবো-ডি-ৰামালৈকে বিয়পি আছে এই সাগৰবালি। জনশ্ৰুতি মতেঃ ৰামচন্দ্ৰই তেওঁৰ বনবাসকালৰ কিয়ৎকাল ইয়াতে অতিবাহিত কৰিছিল। ইয়াৰপৰা ২৫ কি. মি. দূৰত সাগৰ-বালিত হেনো ৰামচন্দ্ৰৰ বাণ এপাট পৰিছিলহি।

ইগ্ৰেজা ডি নোছা ছেন্‌হোৰা ডি প্যেডাডে হ'ল কোল্‌বা তটত নিৰ্মিত বিখ্যাত গিৰ্জা। ইয়াত মেনিন (শিশু) যিশুৰ মূৰ্তি আছে, যি-মূৰ্তি দৰ্শন কৰিলে বেমাৰ-আজাৰ নাইকিয়া হয় বুলি কোৱা হয়।

পোলেম হ'ল গোৱাৰ দক্ষিণমূৰীয়া সাগৰবালি আৰু অতি ৰমণীয়। এই সাগৰবালি গোৱা আৰু কৰ্ণাটকৰ সীমাৰপৰা সামান্যমান দূৰ।

কোল্‌বাৰ সাগৰবালি

কৰ্ণাটকৰ সমুদ্ৰতটৰ বিষয়ে জনশ্ৰুতি এয়ে যে, ইয়ালৈ ভগৱান পৰশুৰাম আহিছিল, আৰু সেইহে এই সমুদ্ৰতটক পৰশুৰাম-ক্ষেত্ৰ বুলিও কোৱা হয়।

কৰ্ণাটকৰ উত্তৰ সীমাত স্থিত কাৰওৱাৰ হ'ল আৰৱসাগৰৰ তটৰ সৰ্বাতোকৈ সুন্দৰ ঠাই। উত্তৰ-কন্নড় জিলাৰ এই মুখ্য চহৰখনক সাগৰবালিয়ে তিনিওফালৰপৰা আগুৰি আছে।

কাৰওৱাৰ

কাৰওৱাৰত অতি উচ্চমানৰ প্ৰাকৃতিক পোতাশ্ৰয় আছে। দক্ষিণ-পশ্চিমীয়া মনছুনেৰে সুৰক্ষিত এই পোতাশ্ৰয় মুম্বাইৰ (বম্বে) পৰা কলম্বোলৈ যোৱা সমুদ্ৰী জাহাজৰ বাবে গোটেই বছৰ ধৰি উন্মুক্ত হৈ থাকে। এসময়ত আৰবীয়সকলে এই পোতাশ্ৰয়ক বৈৎ-আল্-কোল্ নামেৰে অভিহিত কৰিছিল। ইয়াৰপৰা জালুক, ইলাচি, তেজপাত আৰু ডুংগাৰি নামৰ নীল বৰণৰ কপাহী কাপোৰ, আৰু মলমল (মছলিন) ৰপ্তানি কৰা হৈছিল।

১৮৮৩ খৃষ্টাব্দত ৰবীন্দ্ৰনাথে ইয়াতে তেওঁৰ প্ৰথমখন গীতি নাট্য 'প্ৰকৃতিৰ প্ৰতিশোধ' ৰচনা কৰিছিল। তেতিয়া ৰবীন্দ্ৰনাথ বাইছ বছৰীয়া আছিল। তেওঁ ইয়াত তেওঁৰ ককায়েক সত্যেন্দ্ৰনাথ ঠাকুৰৰ সৈতে আছিল, যি গৰাকী সত্যেন্দ্ৰনাথ আছিল প্ৰথমগৰাকী ভাৰতীয় আই. চি. এচ. আৰু ইয়াৰ ন্যায়াধীশ।

কাৰওৱাৰৰপৰা কেইকিল'মিটাৰমান দক্ষিণ দিশত সুপ্ৰাচীন বন্দৰ আঙ্কোলা—যি কদম্ব, চালুক্য আৰু বিজয়নগৰ ৰাজ্যৰ ৰাজত্বকালত এক উল্লেখ্য বন্দৰ আছিল। ভাৰতৰ স্বাধীনতা সংগ্ৰামত আঙ্কোলাৰ ভূমিকা উল্লেখযোগ্য। ইয়াতে নিমখ-সত্যাগ্ৰহ আৰু কৰ-বন্ধ আন্দোলন হৈছিল। হোন্নেবলৰ প্ৰসিদ্ধ জৈন-গুহা আঙ্কোলাৰপৰা আঠ কি. মি. দূৰত।

ৰবীন্দ্ৰনাথ

ভাৰতৰ স্বাধীনতা-সংগ্ৰামত আঙ্কোলা

মহাবলেশ্বৰ মন্দিৰ

চন্দনকাষ্ঠৰ ক্ষোদিত মূৰ্তি

কাৰওৱাৰৰপৰা ৬০ কি. মি. দূৰৈত 'দক্ষিণ-কাশী' বুলি অভিহিত গোকৰ্ণ। গোকৰ্ণ হ'ল শৈৱসকলৰ পবিত্ৰ তীৰ্থক্ষেত্ৰ। ইয়াত থকা মহাবলেশ্বৰৰ মন্দিৰস্থিত 'আত্মলিঙ্গ' দৰ্শনৰ বাবে দূৰ-দূৰৈৰপৰা শিৱ-ভক্ত ঢপলিয়াই আহে। কিংবদন্তি মতেঃ এই লিঙ্গ লঙ্কেশ্বৰ ৰাৱণে কঠোৰ শিৱ-তপস্যাৰে প্ৰাপ্ত হৈছিল। কিন্তু গণেশ চতুৰতাৰে এই ৰাৱণৰ শিৱ-লিঙ্গ ভূমিৰ গভীৰত প্ৰোথিত কৰাত ৰাৱণে উঠাই লৈ যাব নোৱাৰিলে, আৰু তেতিয়াৰেপৰাই সেই শিৱলিঙ্গ থাকি গ'ল। বাৰ বছৰ বাদে বাদে এবাৰকৈ ইয়াত 'অষ্টবন্ধ' উৎসৱ পতা হয়, আৰু তেতিয়া মাটি খান্দি এই শিৱলিঙ্গ উলিয়াই আনি ভক্তসৱলৈ দৰ্শন কৰোৱা হয়।

নাৰিকল বৃক্ষৰ সমদল-শোভিত সাগৰতট ধৰি আগুৱাই গৈ থাকিলে কুমটা পাবগৈ, যি কুমটা হ'ল চন্দন-কাষ্ঠৰ কাৰিকৰিৰ কাৰণে বিখ্যাত। এই শিল্পত নিয়োজিত কাৰিগৰসকল 'গুডিগাৰ' বুলি জনাজাত।

ইয়াৰপৰা সামন্য দূৰত আছে হোন্নাবৰ। হোন্নাবৰৰ প্ৰাচীন নাম আছিল 'হোন্নুৰু' (সোণৰ চহৰ), আৰু এইখন চহৰ ৰামায়ণৰ দিনৰ চহৰ বুলি জনশ্ৰুতি। হায়দৰআলীৰ ৰাজত্বকালত হোন্নাবৰ অতি সমৃদ্ধ ঠাই হৈ উঠিছিল। এই ঠাইৰ মাজেদি বৈ যোৱা শৰাৱতী নৈৰ দলংখনেই হ'ল কৰ্ণাটকৰ দীৰ্ঘতম দলং।

চন্দনকাষ্ঠ-শিল্পী গুডিগাৰ

শৰাৱতী নৈৰ দলং



ভটকলৰ এটি জৈন মন্দিৰত
এজন সাপ-নচুৱাৰ উৎকীৰ্ণ মূৰ্তি

ভটকলৰ জৈনমন্দিত
চন্দ্ৰনাথেশ্বৰত তীৰ্থংকৰ
চন্দ্ৰনাথৰ মূৰ্তি

যক্ষগীতৰ নৃত্যবিদ

উত্তৰ কন্নড় জিলাৰ দক্ষিণসীমাত আছে ভটকল, যি-ভটকল জৈন মন্দিৰৰ কাৰণে বিখ্যাত। কমে ১৩টি জৈন মন্দিৰৰ মাজত ৫০০ বছৰৰ চন্দ্ৰনাথেশ্বৰ মন্দিৰ সৰাতোকৈ ডাঙৰ।

ভটকলৰপৰা ছয়মাইল দূৰত আছে অটব্য অৰণ্য-সমন্বিত নেত্ৰাণী দ্বীপ। ইয়াত অসংখ্য পাৰ চৰাই পৰিলক্ষিত হয়; যাৰ কাৰণে ইংৰাজসকলে এই দ্বীপক 'পিজন আইল্যাণ্ড' বুলি অভিহিত কৰিছিল। এই দ্বীপতে 'স্বিফ্‌টলেট' নামৰ দুৰ্লভ চৰাই পৰিলক্ষিত হয়।

ইয়াৰপৰা কিঞ্চিত দক্ষিণৰ ফালে আছে কুন্দাপুৰ—যি-কুন্দাপুৰ হ'ল লোকনাট্য যক্ষগীতৰ এক প্ৰধান কেন্দ্ৰ।

কন্নড়ৰ প্ৰখ্যাত সাহিত্যিস্ৰষ্টা 'মুদ্দন'—যি-জনৰ প্ৰকৃত নাম হ'ল নন্দলিকে লক্ষ্মীনাৰায়ণাপ্পা—এই শতিকাৰ প্ৰাৰম্ভণীত ইয়াৰ চৰকাৰী উচ্চবিদ্যালয়ত ব্যায়াম-শিক্ষক আছিল। মধ্যযুগীয় কন্নড় ভাষাৰে ৰচিত তেওঁৰ 'ৰমাশ্বমেধম্' কাব্যগ্ৰন্থই অমৰত্ব লভিলে।

এই চিত্ৰ মুম্বইৰ কৰ্ণাটক সংঘৰ সৌজন্যত

© AMRITA BHARATI,
BHARATIYA VIDYA BHAVAN 1996

বৰ চুৰিয়াৰ ফেৰ

ডোলপুৰ গাঁৱৰ চহকী খেতিয়কহঁতৰ অন্যতম আছিল নৰবৰ। নৰবৰে তেওঁৰ একমাত্ৰ ল'ৰা হৰিহৰক টোলত দিছিল, আৰু তাত পাঁচবছৰ ধৰি বিদ্যাশিক্ষা কৰাৰ অন্তত হৰিহৰ বিদ্বান-বুদ্ধিমান হৈ ঘৰলৈ উভতি আহি—দেউতাকৰ কৃষি-কাৰ্য্যত হাত-উজান দিছিল।

হৰিহৰ সকলো ফালৰেপৰাই ভাল প্ৰকৃতিৰ, কেৱল মই বৰ ভাবটোৰেহে তাৰ গাত কিঞ্চিত চেকা সানিলে, আৰু মাত্ৰ এই এটা কাৰণেতে ৰাইজেও তাক বৰ ভাল নাপালে।

কিন্তু তাক তেওঁ পিতৃ নৰবৰে বিশেষ কাম এটা কৰিবলৈ তেওঁৰ খুলশালিয়েক শিৱনাথহঁতৰ গাঁৱলৈ গ'ল, আৰু সেই কামটো সামৰাৰ পাছত শিৱনাথৰ ঘৰলৈকো গ'ল। নৰবৰে কথাই কথাই তেওঁৰ খুলশালিয়েকৰ ওচৰত হৰিহৰৰ কথা উলিয়ালে, আৰু তাৰে মই বৰ ভাৱৰ কথাটোও তেওঁ শিৱনাথৰ ওচৰত অকপটে ক'লে।

শুনি শিৱনাথে ক'লে, "এই কথাত চিন্তা নকৰিলেও হ'ব। তাক এদিন মোৰ ওচৰলৈ পঠালেই চব ঠিক হৈ যাব। প্ৰকৃত 'বৰ' মানুহ কাক বোলে বৰ চুৰিয়াৰ ফেৰ মাৰি থকা হৰিহৰক মই বঢ়িয়াকৈ শিকাই দিম — চিন্তা কৰিব নালাগে।"

ঘৰ পাই নৰবৰে পুত্ৰ হৰিহৰক ক'লে যে তাৰ মোমায়েকে তাক কাইলৈ তালৈ যাবলৈ কৈছে, কিবা জৰুৰী-কথা আছে হেন তাৰ লগত।

আৰু হৰিহৰে পাছদিনাই মোমায়েকৰ ঘৰলৈ বুলি খোজ ল'লে।

কবিন শৰ্মা

শিৱনাথে ইকথা-সিকথাৰ মাজত এসময়ত তেওঁৰ মৰমৰ ভাগিন হৰিহৰক সুধিলে, “হৰি, আমাৰ চহৰৰ এজন মস্ত ডাঙৰ ব্যৱসায়ী বিনন্দবৰ্মাৰ নাম তুমি কেতিয়াবা শুনিছানে?”

হৰিহৰে তেওঁক নুশুনা বুলি কৈ মূৰ জোকাৰিলে।

তেতিয়া শিৱনাথে ক'লে, “তেওঁক ময়ো দেখা নাই, কেৱল নামটোহে শুনিছোঁ। তেওঁৰ ওচৰলৈ যাব লাগিব। মই তোমাকো লগত লৈ যাম, চিনাকি হৈ থাকা যদি, ভৱিষ্যতত সুফল পাবা। মই তোমাক—এই কাৰণেহে মতাই অনালোঁ। আমি আৰু পলম নকৰি—কালিলৈয়েই তেওঁৰ তালৈ যাম।”

“তেওঁৰ লগত চিনাকি হ'ব লাগিব কিয়? পিছে—আপোনাৰ কামখিনি হৈ যাব, মই লগত যাম যেতিয়া—ধৰি লওক আপোনাৰ কামটো হৈয়েই গ'ল।” হৰিহৰে মোমায়েক শিৱনাথৰ ওচৰতে তাৰ বিৰাটত্বক বিৰাট বুদ্ধিমানীৰে সৈতেই দাঙি ধৰিলে।

শিৱনাথে হো হো কৰে হাঁহিলে আৰু ক'লে, “হয়নে? যিয়েই নহওক—মোৰ কাম সিজিলেই হ'ল।”

পাছদিনা ধলপুৱাতে দুয়ো ওলাল এখন ভাড়ালৈ লোৱা গৰুৰ গাড়ীত উঠি। চহৰ পাই শিৱনাথে এঠাইত গাড়ীখন ৰখালে আৰু হৰিহৰক ক'লে, “বিনন্দ-বৰ্মাৰ ঘৰ—এইখিনিতে দেখোন ক'ৰবাত হ'ব লাগে।”

শিৱনাথে — শাক-পাচলি পাচিৰে কঢ়িয়াই নিয়া মানুহ এজনীক সুধিলে, “বিনন্দবৰ্মাদেৱৰ ঘৰটো ক'ত — ক'ব পৰিবানে?”

মানুহজনীয়ে ক'লে, “কেলে'নো ন'ৰিম? সেই ধাৰ্মিক মানুহজনৰ ঘৰ কুনেনো চিনি নাপাই? এটা ছলিক সুধিলেও কৈ দিব। তেওঁৰ নিচিনা মানুহ —জগতত পাবলৈ নাই. ইমানেই দয়াৰ শৰীল তেওঁৰ। মই যেতিয়া বাঁৰী হলু, চাইওফালে এন্ধাৰ দেইখ্‌লু— তেতিয়া তেওঁহে মোক — ল'ছালীহালক ৰইক্ষা

কইছিল। তেওঁ ভগমানহে!"

মানুহজনীয়ে বিনন্দবৰ্মাৰ ঘৰটো শিৱনাথক দেখুৱাই দিলে।

পাছত কিন্তু শিৱনাথে আন এনজ বাটৰুৱাকো বিনন্দবৰ্মাৰ ঘৰৰ কথা সোধাত সেইজন বাটৰুৱাকো ঘূৰাই সুধিলে, "মই জানিব পাৰোঁনে— আপোনালোক ক'ৰপৰা আহিছে?"

শিৱনাথে ক'লে, "আমি চুবুৰীয়া গাঁৱৰে — অলপ আহুকালত পৰিছোঁ বুলিহে তেওঁক বিচাৰি আহিছোঁ।"

বাটৰুৱাজনে ক'লে, "অ' — কথা এয়ে। তেওঁক লগ পালেই আপোনালোকৰ আলৈ-আহুকাল নোহোৱা হৈ যাব। তেওঁৰ মান দয়াৱন্ত ক'তো আৰু নাপাব। মোকো, আৰু আন বহুতকো তেওঁ বিপদ-বিঘিনিৰপৰা উদ্ধাৰ কৰিছিল, আৰু সদায়েই কৰে।"

শিৱনাথে বাটৰুৱাজনক নমস্কাৰ কৰি আগবাঢ়ি গ'ল আৰু চাওঁতে চাওঁতে বিনন্দবৰ্মাৰ ঘৰটোও পাই গ'ল।

মোমাই-ভাগিনে যেতিয়া বিনন্দবৰ্মাৰ ঘৰ পালেগৈ, তেতিয়া বিনন্দ ডাঙৰীয়াই কেইবাজনো মানুহৰ সৈতে বহি কথা পাতি আছিল। শিৱনাথক দেখামাত্ৰেই তেওঁ বহাৰপৰা উঠি আহিল আৰু শিৱনাথৰ হাত এখন তেওঁৰ দুয়োখন হাতেৰে ধৰি ক'লে, "আহক—আহক,



বহুত দিন হ'ল আপোনাক দেখা নাছিলোঁ। —আহক, বৰ ভাল পাইছোঁ।"

কথা শুনি আৰু দেখি হৰিহৰে ভেবা লগা যেন হ'ল।

তাত বহি থকা আন এজনে হৰিহৰলৈ চাই চাই শিৱনাথক সুধিলে, "এওঁনো কোন—? চিনা কি - চিনা কি যেন লাগিছে—।"

"এওঁ—? এওঁ হ'ল মোৰ ভাগিন, হৰিহৰ।" শিৱনাথ ক'লে।

"অঃ— "মানুহজনে হৰিহৰলৈ পুনৰ চাই ল'লে, আৰু ক'লে, "টোলত—মোৰ ল'ৰাটোও এওঁৰ সহপাঠী আছিল, তেতিয়া তাত এওঁক দেখা পাইছিলোঁ। কিন্তু— এওঁৰ মই-বৰ ভাৰৰ কথা শুনো যে—

সঁচানে? এওঁতকৈ ডাঙৰ দহোকুৰি গাঁৱতো কোনো নাই-নোলাব বুলি নিজেই নিজৰ কথাৰ বাখান চৰাই কয় বোলে—?"

শুনি হৰিহৰৰ হৰি-সমুখ হোৱা হেন অৱস্থা হ'ল। যদিও এইবোৰ অস্বস্তিমুলক কথাৰ ইমানতে ইতি পৰিল বুলিহে ৰক্ষা।

তাৰ পাছত — শিৱনাথে বিনন্দ ডাঙৰীয়াৰ সৈতে বহুতো কিবাকিবি কথা পাতিলে, চাহ-জলপান খালে, আৰু অলপ পাছত বিদায় ল'লে।

বাটত হৰিহৰে এবাৰ মতো নমতাত শিৱনাথে সহজ হাঁহিৰে সুধিলে, "আমি যি কামৰ বাবে ইয়ালৈ আহিছিলোঁ— সফল হ'লনে?"

মোমায়েকৰ প্ৰশ্নৰ উত্তৰত ভাগিন তলমূৰ হ'ল, আৰু তাৰ পাছত নিৰ্জু কণ্ঠেৰে ক'লে, "আপুনি যি কামৰ বাবে ইয়ালৈ আহিছিল— নিশ্চয় সফল হ'ল।"

শিৱনাথে নাটকীয় ঢঙেৰে কৈ উঠিল, "ইয়ালৈ মই কি কামৰ বাবে আহিছিলোঁ। কোৱাচোন শুনো—?"

হৰিহৰে গহীন মাতেৰে মোমায়েক শিৱনাথক ক'লে, "মই যাতে আৰু জীৱনতো নিজক ডাঙৰ বুলি নাভাবোঁ, নকওঁ, মোক সেই শিক্ষা দিবৰ বাবে।"

অলপ পৰলৈ দুয়ো চুপচাপ হৈ থাকিল, নিৰৱে-নিমাতে বাট বুলিবলৈ ধৰিলে। তাৰ পাছত হৰিহৰে পুনৰ ক'লে, "বিনন্দ ডাঙৰীয়া আপোনাৰ পৰম বন্ধু, কিন্তু মোৰপৰা এই কথাটো গোপন কৰিছিল, আৰু তেওঁক একেবাৰে চিনি নাপায় বুলিহে কৈছিল। আনকি— বাটৰুৱাইঁতকো আপুনি তেওঁৰ ঘৰটো ক'ত বুলি সুধিছিল যে কিয়—সেই কথাও এতিয়া স্পষ্ট।"

এই ঘটনাৰ পাছত হৰিহৰে নিজক নিজেই শুধৰাইছিল, আৰু নিজক নিজেই ডাঙৰ বুলি নাভাবি ডাঙৰ হৈছিল।



চান্দমামাৰ
সোণালী দুৱাৰ
মৃত্যু-গুহা
ৰাজকোঁৱৰ উদয়নক দুৰ্দ্ধৰ্ষ জনজাতীয় ঘোৰিইঁতে বন্দী কৰিলে।
অউ! মই চকুৰে নেদেখা হলোঁ।
মোৰ জাদুৱে তোমাক অন্ধ কৰিলে। বলি স্পইডৱাৰ লগে লগে তুমি মৰিবা!
এই গুহাৰ সিমূৰে থকা জাদু-ধাৰাইহে তোমাক ৰক্ষা কৰিব পাৰিব। তালৈ যোৱা!
ৰাজকোঁৱৰ উদয়নে অপাৰ সাহসৰে সৈতে মৃত্যু-গুহালৈ সোমাল!
গুৰুৱে কৈ দিয়া ৰহস্য-সূত্ৰ ৰাজকোঁৱৰ উদয়নে স্মৰিলে।
সকলো অন্ধয়েই মাত্ৰ এটি কাম কৰিব লাগিব…
সেই ৰহস্য-সূত্ৰনো কি?

চান্দমামাৰ

সোণালী দুৱাৰৰ প্ৰশ্নাৱলী

১. বিগত শতিকাত, ফ্ৰান্সদেশৰ প্ৰখ্যাত প্ৰকৃতি-বিজ্ঞানী হেন্‌ৰি মও-ৰ কাম্বোডিয়াত এদিন অসংখ্য পখিলাৰ জাকৰ পিছে পিছে দৌৰি দৌৰি গৈ থাকোঁতে এখন বিলুপ্ত নগৰৰ ধ্বংসাৱশেষ পাইছিলগৈ—যিখন নগৰ আছিল এক বৃহৎ সাম্ৰাজ্যৰ ৰাজধানী। সেইখন নগৰৰ নাম কি আছিল? তাত পৰিলক্ষিত এই মূৰ্তিৰ নাম?



২.

পর্টুগালদেশৰ বাইজে
এই চৰাইটোক
'ডোডো' বুলি কয়
(ডোডো মানে—'ভেবা')।
তেওঁলোকৰ মতে : এই চৰাই
একেবাৰেই ভোদাইকাই। এই
চৰাই পৃথিৱীৰ কোন প্ৰান্তত
পৰিলক্ষিত হয় ?

৩. এই ছিৰিজত আগলৈ কি ওলাব ?

৪. মহাৰাষ্ট্ৰৰ গাঁৱলীয়া অঞ্চল-
সমূহত এই নৃত্য অতি
বিখ্যাত। এই নৃত্যক
কি বুলি কোৱা হয় ?

৫. এইজন জনজাতীয় আন্দামানী
চিকাৰীয়ে কিহলৈ কাঁড়
টোঁৱাইছে ?

৬. নাৱৰ লগত সাঙোৰ খাই থকা
এই মূৰ্তিটি পানী ছোওঁ ছোওঁ
অৱস্থাত আছে। নৈৰ পানী
দহ মিনিটেপ্ৰতি ১০ ছে. মি.কৈ
ওপৰলৈ ওফন্দি উঠিছে।
মূৰ্তিটোৰ উচ্চতা হ'ল ১ মিটাৰ।
তেনেহ'লে—এঘণ্টাত মূৰ্তিটোৰ
কিমানখিনি পানীৰ
তললৈ যাব ?



পাণ্ডা

এটি কাটি উলিওৱা !

এই চিত্ৰখন ডাঙৰ কৰি লোৱা (জেৰক্স কৰি ল'ব পাৰা) আৰু ডাঠ কাগজৰ ওপৰত এই চিত্ৰত থকা ফুটফুটীয়া চিনৰ সৈতে নক্সা কৰি লোৱা।

এই প্ৰকাণ্ড পাণ্ডা হ'ল **WWF**-অৰ প্ৰতীক-- ডাবল্যু ডাবল্যু এফ হ'ল ওৱাৰ্লড ওৱাইড ফাণ্ড ফৰ্ নেচাৰ (প্ৰাকৃতিক নিধি)।

চিত্ৰখন কাটা আৰু ৰেখা থকা মতে ভাঁজ কৰি লোৱা : চিত্ৰত যেনেকৈ আছে, ঠিক তেনেকৈ বহি থকা পাণ্ডা বনাব পাৰিবা।

তিনিডাল সহজ ৰেখাৰে এটি কুকুৰ-পোৱালি আঁকা।



© Amrita Bharati, Bharatiya Vidya Bhavan, 1996

২৫

ধৰ্মৰাজে যেতিয়া কপট পাষটিত দ্ৰৌপদীকো হেৰুৱালে, মুহূৰ্ততে দুৰ্য্যোধনে গৰ্জি উঠি ক'লে, "এই—কৌন হ্যায়, দ্ৰৌপদীক তুৰন্তে ইয়ালৈ লৈ আহগৈ, দ্ৰৌপদী এতিয়া আমাৰ বন্দী আৰু বান্দী, তাই এই সভাস্থলত বাঢ়নীৰে এতিয়াই চাফা কৰি দিব লাগিব।"

দুৰ্য্যোধনৰ দম্ভ অসহনীয় হোৱাত বিদুৰে উচ্চকণ্ঠেৰে কৈ উঠিল, "মূৰ্খ দুৰ্য্যোধন, তুমি তোমাৰ সীমা লংঘন কৰিছা। যেইকোনো কথা মুখেৰে বঁতিয়াব নাপায়। পাণ্ডৱ ক্ৰুদ্ধ হ'লে তোমাৰ যম হৈ উঠিব যে—জানানে নাজানা? দ্ৰৌপদী তোমালোকৰ বান্দী হ'ল কিয়? ধৰ্মৰাজে কপট পাষটিৰে নিজকো হেৰুৱাইহে দৌপদীত বাজী মাৰিছিল—শকুনিয়ে ধূৰ্ত চতুৰতাৰে ধৰ্মৰাজক এই অন্যায় বাজি মাৰিবলৈ বাধ্য কৰিছিল।" ক্ষন্তেকমান বৈ, সমগ্ৰ সভাস্থ সমবেতসকললৈ চাই বিদুৰে পুনৰ কৈ উঠিল, "এই দুৰ্য্যোধন হ'ল এটা জধামূৰ্খ। সি মোৰ কথালৈ কাণসাৰ নকৰে, নামানে। অতি নিকট ভৱিষ্যতত কৌৰৱৰ বিনাশ সুনিশ্চিত।"

দুৰ্য্যোধনে বিদুৰৰ কথালৈ সম্পূৰ্ণ উপেক্ষা প্ৰদৰ্শন কৰি এজন প্ৰতিহাৰীক—অৰ্থাৎ দুৱৰীক্ ক'লে, "তুমি এই মুহূৰ্ততে অন্তেষপুৰলৈ যোৱা আৰু দ্ৰৌপদীক ইয়ালৈ—এই সভাস্থললৈ লৈ আহাগৈ। পাণ্ডৱলৈ পৰোৱা নাই।"

'দ্ৰৌপদীৰ লাঞ্ছনা'



দুৰ্য্যোধনৰ আজ্ঞা পাই প্ৰতিহাৰ অন্তেষপুৰলৈ গ'ল আৰু দ্ৰৌপদীক ক'লে, "হে দেৱী-পাঞ্চালী, আপোনাৰ পতি ধৰ্মৰাজে পাষটি-খেলত বাজি মাৰি আপোনাক হেৰুৱালে। এতিয়া আপুনি দুৰ্য্যোধনৰ দাসী হ'ল। দুৰ্য্যোধনৰ আজ্ঞা-ক্ৰমে মই আপোনাক মহাৰাজ ধৃতৰাষ্ট্ৰৰ গৃহলৈ লৈ যাবলৈ আহিছোঁ।"

"কোনোবা ক্ষত্ৰিয়ই নিজ-পত্নীক পাষটিৰ বাজি হিচাপে গণ্য কৰিবনে? কদাপি নহয়। ধৰ্মৰাজ মতিভ্ৰষ্ট হ'লনে? মোক সবিস্তাৰ সকলো কথা কোৱাঁ।" দ্ৰৌপদীয়ে প্ৰতিহাৰক ক'লে।

প্ৰতিহাৰে তলমূৰ হৈ ক'লে, "পাষটি-খেল খেলি ধৰ্মৰাজে সৰ্বস্ব হেৰুৱালে, আনকি ভ্ৰাতৃসকলো হেৰুৱালে, নিজকো হেৰুৱাই,শেষত আপোনাকো হেৰুৱালে।"

দ্ৰৌপদীয়ে প্ৰতিহাৰক ক'লে, "তুমি সভাস্থললৈ উভতি যোৱা, আৰু তাত থকা কুৰুবৃদ্ধ সকলৰপৰা জানি আহাগৈ যে—সভাস্থললৈ মই গমন কৰাটো উচিত হ'বনে নাই।—তেওঁলোকে যি ক'ব, মই পালন কৰিম।"

প্ৰতিহাৰি সভাস্থললৈ আহিল, আৰু দ্ৰৌপদীৰ বক্তব্য সকলোটিৰ আগত দাঙি ধৰিলে। কিন্তু অন্যায় বুলি জানিও দুৰ্য্যোধনৰ ভয়ত সভাস্থ সকলোটিয়েই নিমাত-নিশ্চুপ হৈ থাকিল।

এইবাৰ দুৰ্য্যোধনে দ্ৰৌপদীক লৈ আহিবলৈ এজন কটকীক প্ৰেৰণ কৰিলে, আৰু কটকীয়ে দ্ৰৌপদীক ক'লেহি যে তেওঁক সভাস্থললৈ লৈ যাবলৈ ধৰ্মৰাজে তেওঁক প্ৰেৰণ কৰিছে।

তেতিয়া দ্ৰৌপদী ঋতুমতী হৈ আছিল। তথাপি, ধৰ্মৰাজৰ বাৰ্ত্তা পাই, ঋতুমতী অৱস্থাতে দ্ৰৌপদী তালৈ গ'ল আৰু গৈ ধৃতৰাষ্ট্ৰৰ সমুখত দণ্ডায়মানা হ'ল।

দ্ৰৌপদীক দেখা মাত্ৰেই পাণ্ডৱ-সকল নতমস্তক হ'ল, আৰু বিষাদপূৰ্ণতাৰে নিমাত-নিশ্চুপ হৈ বহি থাকিল। তেওঁ-লোকে অতিপাত লজ্জিত হৈ পৰিছিল, আনকি এজন পাণ্ডৱেও মস্তক উত্তোলন কৰিব নোৱৰা হ'ল।

দুৰ্যোধনে পাণ্ডৱসকলৰ অৱস্থা গমিলে, আৰু চিঞৰি ক'লে, "প্ৰতিহাৰ, কিনো চাই আছা? তাইক ইয়ালৈ লৈ আহাঁ।"

কিন্তু প্ৰতিহাৰে দ্ৰৌপদীৰ গাত্ৰ স্পৰ্শ কৰিব কেনেকৈ? প্ৰতিহাৰে সভাসদসকললৈ চাই লৈ দুৰ্যোধনক সুধিলে, "মই দেৱী পাঞ্চালীক কি ক'মগৈ?"

প্ৰতিহাৰে যে ভীমৰ অগ্নিৰূপ দেখি আগুৱাবলৈ সাহসী হোৱা নাছিল, সেই কথা গমি, দুঃশাসনলৈ চাই দুৰ্যোধনে কৈ উঠিল, "হেই দুঃশাসন, কি—নো চাই আছা? তাইক টানি-আঁজুৰি লৈ আহাগৈচোন ইয়ালৈ। তাই এতিয়া আমাৰ বান্দী।" এই পাণ্ডৱমখাই আমাৰ নোম এডালিও ছিঙিব নোৱাৰিবে।"

দুঃশাসনে সৰ্ব সৌজন্য পৰিহৰি চিঞৰি কৈ উঠিল "হেই দ্ৰৌপদী এই, ফালে আহাঁ। লাজ কৰিলে লাভ নহ'ব, এতিয়া দুৰ্যোধনৰ সৈতেহে প্ৰেম কৰিব লাগিব। তুমি এতিয়া আমাৰ বান্দী।"

ভীষ্মই কৈ উঠিল, "হে দেৱী দ্ৰৌপদী, ধৰ্মৰাজে তোমাক লৈ বাজি মাৰি ত্ৰুটিপূৰ্ণ কৰ্ম কৰিলে—মানি ল'লোঁ। কিন্তু ধৰ্মৰাজ ধৰ্মচ্যুত হোৱাটো তুমি বাঞ্ছা কৰিবানে?"

দ্ৰৌপদীয়ে শান্ত কিন্তু দৃঢ় কণ্ঠেৰে ক'লে, "কপট পাযটিৰ চিকাৰ হৈ মোৰ পতি প্ৰতাৰিত হ'ল। কিন্তু পুত্ৰ-পুত্ৰী-বধূ সকললৈ ধৰ্ম-নিয়মানুসাৰে ভৰণ-পোষণ লালন-পালনৰ নিয়ম-নীতি কি—কুৰুবৃদ্ধসৱে এহি সভাস্থলত প্ৰকাশ কৰক।"

ইতিমধ্যে দুঃশাসনে দ্ৰৌপদীৰ কাযচাপি আহি দ্ৰৌপদীক তৰহে তৰহে



তয়া-তোকাকৈ অপমান কৰি থাকিল।

ভীমে ধৰ্মৰাজক কৈ থাকিল, "কোনো সামান্য জুৱাৰীয়েও আপোন পত্নীক লৈ বাজি নামাৰে। আপুনি পৱিত্ৰা দ্ৰৌপদীৰ বিষয়ে অতিপাত অন্যায় কৰিলে। আমাৰ সমস্ত ঐশ্বৰ্য্য যে গ'ল, তাৰ কাৰণে কোনো খেদ নাই। কিন্তু পাঞ্চালীৰ এই দুৰ্দশাৰ কাৰণে আপোনাৰ হস্ত অগ্নিৰে দহিব লাগে। সহদেৱ, অগ্নি লৈ আহা।"

অৰ্জুনে ভীমক ক'লে, "মই সকলো জঘন্যতাক নিৰৱে-নিমাতে সহি আছিলোঁ। কিন্তু তুমি আমাৰ অগ্ৰজৰ অন্তৰত দুখ দিয়াত মই ক'বলৈ বাধ্য হৈছোঁ যে— তোমাৰ ধৰ্মবোধ ভ্ৰষ্ট হৈছে।—ধৰ্মৰাজে জানি-বুজি পাশাটিৰ জুৱা খেলা নাছিল। তেওঁ মহাৰাজ ধৃতৰাষ্ট্ৰৰদ্বাৰা অহ্বানিত হৈ পাশটি খেলিবলৈ আহিবলৈ বাধ্য হৈছিল। এই কথাত আমাৰ অগ্ৰজৰ কোনো ক্ৰুটি নাই। এতেকে—তুমি শান্ত হোৱা।"

দ্ৰৌপদীৰ জিজ্ঞাসাৰ উত্তৰত—আনকি কোনো কুৰু-বৃদ্ধয়ো নিদিয়াত, ধৃতৰাষ্ট্ৰৰ অন্যতম পুত্ৰ বিকৰ্ণ দণ্ডায়মান হ'ল, আৰু কৈ থাকিল, "আপোনালোকে দেৱী দ্ৰৌপদীৰ প্ৰশ্নৰ উত্তৰ প্ৰদান কৰক। কিয় সকলো কুৰু-বৃদ্ধ আৰু গুৰুজন মৌন হৈ আছে? ক্ৰোধ-দ্বেষ-পক্ষপাতৰপৰা মুক্ত হৈ আপোনালোকে নিজ-নিজ মতামত জ্ঞাপন কৰক ধৰ্মস্থ নীতি-নিয়মৰ ব্যাখ্যা দাঙি ধৰক।"

কিন্তু বিকৰ্ণৰ কথা বৃথা হ'ল, কুৰুবৃদ্ধ-গুৰুজনসৰৰ কোনো এগৰাকীয়েও কোনো উত্তৰ নিদিয়া হ'ল।

তেতিয়া বিকৰ্ণয়েই পুনৰ কৈ উঠিল, "আপোনাসৱে যদি ন্যায়-নীতিৰ ব্যাখ্যা দাঙি নধৰেই, ময়েই সেই ন্যায়ধৰ্মৰ ব্যাখ্যা দাঙি ধৰিম। পত্নী, চিকাৰ, জুৱা আৰু মদিৰা—এই চাৰি বিষয়ৰ ওচৰত বশীভূত হোৱাজন হ'ল দুৰ্বল, ধৰ্ম-পালনত অশক্ত-অপাৰগ। ধৰ্মৰাজে পাশটিৰ জুৱা—তাকো কপট পাশটিৰ জুৱাৰ চিকাৰ হৈ সৰ্বস্ব হেৰুৱালে — দ্ৰৌপদীকো হেৰুৱালে। কিন্তু—দ্ৰৌপদী কেৱল ধৰ্মৰাজৰে ধৰ্মপত্নী

নহয়, দ্ৰৌপদী পঞ্চপাণ্ডৱৰ। গতিকে—কেৱল ধৰ্মৰাজৰ ত্ৰুটি তথা অক্ষমতাৰ কাৰণে দ্ৰৌপদীক সভাস্থললৈ আহিবলৈ বাধ্য কৰাটো—দেখ দেখ অধৰ্মাচৰণ।"

কৰ্ণ-ই বিকৰ্ণৰ বক্তব্যৰ প্ৰতিবাদ কৰি ক'লে, "এই সভাস্থলত দিগ্‌গজ দিগ্‌গজ ধৰ্ম-প্ৰবক্তা উপস্থিত আছে। গতিকে—তোমাৰ নিচিনা পিয়াহ-দঁতাৰপৰা ধৰ্মৰ নীতিৰ ব্যাখ্যাত আমাৰ কোনো আৱশ্যক দেখা নাই। ধৰ্মৰাজে অন্য সৰ্বস্বৰ সৈতে দ্ৰৌপদীকো বাজি মাৰি হেৰুৱালে—এয়া অতি স্পষ্ট কথা। আৰু—এই কথা উত্তম ৰূপে জানিয়েই মহাবলী পাণ্ডৱসকলে নিজেই নিমাত হৈ আছে। তোমাৰ বক্তব্য হ'ল—দ্ৰৌপদীক সভাস্থললৈ লৈ অহাটো নীতিবিৰুদ্ধ, ধৰ্মবিৰুদ্ধ, অন্যায়। কিন্তু দ্ৰৌপদী হ'ল কুলটা নাৰী, কিয়নো—এই নাৰী পঞ্চপুৰুষৰ পত্নী। গতিকে—দ্ৰৌপদীক আনকি উলংগ কৰি লৈ আহিলেও পাপ নহ'ব। দুঃশাসন, তুমি এই অজ্ঞান পিয়াহ-দঁতা বিকৰ্ণলৈ পৰোৱা নকৰা, দ্ৰৌপদীক বস্ত্ৰহীন কৰি এই সভাস্থললৈ লৈ আহঁ।"

কৰ্ণৰ কথা শুনি পাণ্ডৱসকলে প্ৰমাদ গণিলে। তেওঁলোকৰ চকুৰ আগতেই দ্ৰৌপদীৰ বস্ত্ৰহৰণ কৰিবলৈ দুঃশাসন আগুৱাই গ'ল আৰু তেতিয়া দ্ৰৌপদীয়ে কৃষ্ণক সুঁৱৰিলে। কৃষ্ণ তৎক্ষণাৎ তালৈ আহিল, আৰু দ্ৰৌপদীলৈ অফুৰন্ত বস্ত্ৰৰ যোগান দি থাকিল।

দুঃশাসনে দ্ৰৌপদীক বিবস্ত্ৰ কৰিবলৈ দ্ৰুততাৰে দ্ৰৌপদীক বস্ত্ৰহীন কৰিবলৈ



উঠি-পৰি লাগিল, দুঃশাসনে যিমানেই বস্ত্ৰহৰণ কৰি আছিল, সিমানেই—অদৃশ্য-ভাৱে দ্ৰৌপদীৰ দেহ বস্ত্ৰেৰে আবৃত হৈ থাকিল। দুঃশাসনে দৌপদীৰ হৰণ কৰি থকা বস্ত্ৰ এটি সৰুসুৰা পাহাৰৰ সমান হৈ উঠিল, আৰু এসময়ত — বস্ত্ৰহৰণকাৰী দুঃশাসন অতিপাত ভাগৰ লগাত তললৈ বাগৰি পৰিল।

ক্ৰোধত অগ্নিবৰ্ণ হৈ উঠা ভীমে কৈ উঠিল, "সমবেত ভদ্ৰমণ্ডলীয়ে শ্ৰৱণ কৰক! এই পাপিষ্ঠ দুঃশাসনে দ্ৰৌপদীৰ মানভংগ কৰাত তললৈ বাগৰি পৰিল, ই দৌপদী বস্ত্ৰহৰণ কৰিব খুজিছিল। এই পাপিষ্ঠক মই যুদ্ধ কৰি বধ কৰিম, আৰু তাৰ বক্ষৰক্ত পান কৰিম। এয়া মোৰ প্ৰতিজ্ঞা।"

তেতিয়া বিদুৰে তেওঁৰ হস্ত উত্তোলিত কৰি ক'লে, দ্ৰৌপদীৰ জিজ্ঞাসাৰ উত্তৰ প্ৰদান নকৰাটো অধৰ্ম। ইয়াত—এই সভাস্থলত ইমান সজ্জন উপস্থিত থকা সত্বেও বিকৰ্ণৰ বাহিৰে কোনেও যে কোনেও মাত নকৰিলে—এই বিষয়টো কিন্তু প্ৰকৃততেই পাপৰ বিষয়, আৰু মাত মাতিব পৰা সত্বেও মাত নমতাসকলক অৱশ্যেই এই পাপে স্পৰ্শ কৰিব।"

তথাপি কোনেও একো নোকোৱাত দুৰ্যোধনে যেতিয়া দ্ৰৌপদীলৈ ইংগিতেৰে আপোন উৰু দেখুৱালে, তেতিয়া ভীমে দুৰ্যোধনৰ উৰু ভংগ কৰিবলৈ প্ৰকাশ্যেই শপত খালে।

দুৰ্যোধনে দ্ৰৌপদীক ক'লে "এই কথাত মোৰ কোনো ত্ৰুটি হোৱা নাই। আৰু—ভীম, অৰ্জুন, নকুল, সহদেৱ আদিয়ে যদি মুখেৰে কয় যে—ধৰ্মৰাজ সিহঁতৰ ৰজা নহয়, তেতিয়া তোমালোকক দাস্যতাৰপৰা মুক্ত কৰি দিয়া হ'ব।"

অৰ্জুনে ক'লে, "এই কথা পূৰ্ণৰূপে সত্য যে—ধৰ্মৰাজ আমাৰ সম্ৰাট প্ৰভু। কিন্তু তেওঁ যেতিয়া নিজে নিজেই পৰাজিত হ'ল—তেতিয়া—তেওঁ কাৰ বা কোনসকলৰ সম্ৰাট বুলি আমি কৌৰৱক ক'ম?"

আৰু ঠিক তেতিয়াই সভাস্থলত

SANKAR

বিধোবিধ অঘটন ঘটি থাকিল আৰু তেতিয়া ধৃতৰাষ্ট্ৰই সন্ত্ৰস্তভাৱেৰে কৈ উঠিল, "হেৰ পাপী দুৰ্য্যোধন, দ্ৰৌপদীক কিয় জোৰপূৰ্বক মহাসভাস্থললৈ আনিব লাগিছিল? পাণ্ডৱসকলৰ প্ৰতি তোমাৰ ইমান ঈৰ্ষাৰ হেতু কি? এইবোৰ দেখ দেখ অন্যায়ৰ বাহিৰে আৰুনো কি?"

তাৰ পাছত ধৃতৰাষ্ট্ৰই দুৰ্য্যোধনক গুৰুতৰভাৱে ভৰ্ৎসনা কৰিলে, আৰু দ্ৰৌপদী নিজৰ কাষলৈ মতাই অনাই ক'লে, "বোৱাৰীসকলৰ মাজত তুমিয়েই উত্তম। কোৱাঁ, তোমাক কি লাগে।"

দ্ৰৌপদীয়ে ধৃতৰাষ্ট্ৰ মহাৰাজক সকলো পাণ্ডৱৰ দাস্য-মুক্তিৰ বাবে প্ৰাৰ্থনা জনালে।

তেতিয়া মহাৰাজ ধৃতৰাষ্ট্ৰৰ আদেশত পাণ্ডৱসকলৰ সকলো অস্ত্ৰ-শস্ত্ৰ ফিৰাই দিয়া হ'ল।

কৰ্ণই কটু মন্তব্য কৰিলে যে—এজনী তিৰোতাইহে দাস পাণ্ডৱহঁতক দাসত্বৰ শিকলিৰপৰা মুক্ত কৰিলে। এই কথাত ভীম ৰৌদ্ৰমূৰ্তি হ'ল আৰু শত্ৰুৰ সংহাৰ কৰি থাকিব বুলি ঘোষণা কৰা হ'ল।

অৰ্জুন আৰু ধৰ্মৰাজে বহুকষ্টেৰে ভীমক ৰখালে আৰু তাৰ পাছত ধৰ্মৰাজে ধৃতৰাষ্ট্ৰ মহাৰাজক জিজ্ঞাসা কৰিলে, "আমাৰ প্ৰতি কিবা আদেশ আছেনে?"

"পুত্ৰ, তুমি আৰু তোমাৰ ভ্ৰাতৃবৰ্গ—নিশ্চিন্তে ইন্দ্ৰপ্ৰস্থলৈ গমন কৰাঁ, আৰু আপোন সাম্ৰাজ্য-শাসন চলোৱাঁ। পাশাখেল—অতি স্নেহপূৰ্ণ-বন্ধুতাপূৰ্ণ বাতাবৰণত চলি থাকিব বুলি মই ভাবিছিলোঁ। কিন্তু—কপট পশাটিৰ কাপট্য দেখিও যে মই বাধা দিয়া নাছিলোঁ—সেয়া নিশ্চয়েই মোৰ ত্ৰুটি। আমাৰ বাৰ্দ্ধক্যৰ কথা স্মৰণ কৰি আমাৰ এই ত্ৰুটি পাহৰি যোৱা এয়ে মোৰ একান্ত অনুৰোধ। তোমালোকৰ সাম্ৰাজ্যৰ শুভ হওক, তোমালোকৰ মঙ্গল হওক।"

তাৰ পাছত পাণ্ডৱসকলে দ্ৰৌপদীক লৈ ইন্দ্ৰপ্ৰস্থলৈ উভতি গ'ল। [আগলৈ



কথ-বেল

কথবেল হাতীৰ অতি প্ৰিয় খাদ্য। পিছে —শাহখিনিহে খায়, খোলাবোৰ উলিয়াই দিয়ে। হাতীৰ প্ৰিয় খাদ্য হোৱাহেতুকেহে ল্যাটিন ভাষাত কথবেলৰ নাম হ'ল— 'ফেৰ'নিয়া এলেফান্টছ'। আৰু—গণেশ-চতুৰ্থীত যে গণেশৰ মূৰ্তিৰ সমুখত কথবেল দিব লাগে আৰু দিয়া হয় — ভাৰতৰ সকলোতে সকলোৱেই জানে আৰু মানে। কথবেল হ'ল—দাঁতিত ফেৰেঙনি মেলা পাতেৰে আৰু কজলা ফুলেৰে এবিধ টেঙা-মিঠা সোৱাদৰ ফলৰ বৃক্ষ। পকিলে ফলৰ বৰণ আমঠু-ক'লীয়া হয়, আৰু ভিতৰৰ বিজলীয়া শাহখিনি সোৱাদ হয়, তাক মানুহে খায়।

জহৰ দিনত কথ-বেলৰ শাহেৰে টেঙা-মিঠা চৰবতো বনোৱা হয়, আৰু চেনি বা গুৰ মিহলাই খোৱা হয়।

কথবেলক সংস্কৃতত 'কপিথ'; হিন্দীত 'কথ' আৰু 'কবিতাহী' বা 'কাবাত' বুলিও কোৱা হয়। গুজৰাটীত 'কোথা', মৰাঠীত 'কবাত', তামিলত 'বিলাম্বল', তেলুগুত বেলগ', বাংলাত 'কথবেল' বা 'কদ্‌বেল' আৰু অসমীয়াত 'কথ-বেল' বা 'লতা-বেল' বুলিও কোৱা হয়। উদ্ভিদবিজ্ঞানত কথ-বেলৰ নাম হ'ল— 'Passiflora Quadranqularis', আৰু ইংৰাজীত 'বুড্‌ অ্যাপ্‌ল্' বুলি কোৱা হয়।

কথ-বেলৰ উল্লেখ ভাৰতৰ সুপ্ৰাচীন চিকিৎসাশাস্ত্ৰতো পৰিলক্ষিত হয়, আৰু আয়ুৰ্বেদশাস্ত্ৰত কথ-বেলৰ খাদ্যমূল্য তথা ঔষধি-গুণৰ সবিশেষ উল্লেখ পৰিলক্ষিত হয়। আয়ুৰ্বেদশাস্ত্ৰত কথবেলক অতিশয় ৰুচিকৰ তথা হজমৰ সহায়ক মহৌষধি-গুণসম্পন্ন ফল বুলি অভিহিত কৰা হৈছে।

কশ্যপ-আস্তিক

এসময়ত পৃথিৱীত সৰ্প-ভীতি অতি প্ৰবল হৈ উঠিছিল। তেতিয়া বাটে-পথে, পথাৰে-সমাৰে, নৈ-বিলত—সকলোতে সৰ্পময়। হাবি-বনত তো কথাই নাই, কেৱল সাপ আৰু সাপ। সাপৰ আধিক্যৰ ফলত তেতিয়া মানৱজাতি অস্তিত্বয়েই বিপন্ন হৈ উঠিছিল।

এই কথা যেতিয়া ঋষি কশ্যপে জ্ঞাত হ'ল, তেতিয়া তেওঁ তপস্যাৰ বলেৰে এক সৰ্প নিধন মন্ত্ৰৰ সৃষ্টি কৰিলে আৰু সেই সৰ্প-নিধন মন্ত্ৰেৰে মানৱজাতিক সৰ্পৰ কবলৰপৰা কথমপি ৰক্ষা কৰিলে। লগতে—তেওঁ সৰ্প বৈশ্যও বিচাৰি উলিয়ালে তেওঁ সৰ্পকুলক সেও কৰা এক দেৱীৰ সৃষ্টি কৰিলে—যি-দেৱী আছিল মনসা দেৱী।

কশ্যপ-সৃষ্ট মনসাদেৱীয়ে জৰৎকাৰু নামৰ এগৰাকী ঋষিক পতিৰূপে বৰিলে। তেওঁৰ আস্তিক নামৰ এজন পুত্ৰ আছিল। আস্তিক আছিল বিষ্ণুৰ ভক্ত।

এবাৰ ৰজা পৰিক্ষীৎ চিকাৰলৈ ওলাল আৰু এটা সাপ চিকাৰ কৰি সেই মৃত সাপটোক তাত চকু মুদি তপস্যা কৰি থকা শমীকমুনিৰ ডিঙিত আঁৰি দিলে। শমীকমুনিৰ পুত্ৰই ঘটনাটো দেখা পাই অতিপান ক্ৰুদ্ধ হৈ এই অভিশাপ দিলে যে—সাত দিনৰ ভিতৰত ৰজা পৰিক্ষীতক সৰ্প-ই খুটি মাৰিব।

ৰজা পৰিক্ষীৎ বৰ বিপাঙত পৰিল। তেওঁ নিজক ৰক্ষা কৰিবলৈ এনেকুৱা আয়োজন কৰিলে যে—সৰু-ডাঙৰ কোনো সাপেই কোনো অৱস্থাতে তেওঁৰ প্ৰাসাদলৈ সোমাই আহিব নোৱাৰিব।

ছয় দিন ভালে-কুশলে পাৰ হ'ল। সপ্তম দিনটোও পাৰ হওঁ হওঁ হ'ল। সূৰ্য্যাস্তৰ আগে আগে ৰজাই প্ৰতিদিনেই ফলাহাৰ কৰে; আজিও তাৰ ব্যতিক্ৰম নহ'ল। কিন্তু আজিৰ ফলৰ ভিতৰতে পোক এটাৰ দৰে সৰু সাপ এটা লুকাই আছিল, আৰু ফলটো কাটোঁতেই সেই সৰু সৰ্প ই বৃহৎ আকাৰ ধাৰণ কৰি ৰজা পৰিক্ষীতক খুটিলে। এই সৰ্প আছিল সৰ্পৰাজ তক্ষক।

তক্ষকৰ এই কাৰ্য্যত পৰিক্ষীত-পুত্ৰ জনমেজয় সংসাৰৰ সৰ্পকুল সবংশে ধ্বংস কৰিবলৈ সৰ্প-নিধন-যজ্ঞ পাতিলে আৰু সেই যজ্ঞাগ্নিত সৰ্পকুল পুৰি মৰিবলৈ ধৰিলে।

তেতিয়া অতিশয় ভীত সৰ্পৰাজ তক্ষকে ইন্দ্ৰৰ সিংহাসনৰ তলত আশ্ৰয় ল'লেগৈ। কিন্তু যজ্ঞৰ প্ৰাবল্যৰ ফলত সসৰ্প ইন্দ্ৰ-সিংহাসনো সেই যজ্ঞাগ্নিৰ পিনে মাৰ্ৰিত হ'ল আৰু সৰ্পৰাজ তক্ষক সেই সিংহাসন তলত পিষ্ট হৈ থাকিল।

তেতিয়া আস্তিকমুনি জনমেজয়ৰ ওচৰলৈ আহিল আৰু তেওঁ জনমেজয়ৰ স্তুতি কৰি জনমেজয়ক শান্ত কৰিলে আৰু সৰ্পযজ্ঞ বন্ধ কৰি দিলে। সৰ্পৰাজ তক্ষক গলাই সাৰিল, আৰু অসংখ্য সৰ্প মৃত্যুৰ গ্ৰাহৰপৰা ৰক্ষা পৰিল।

আস্তিকে সৰ্পজাতিক সবংশ-ধ্বংসৰপৰা ৰক্ষা কৰাত—কোৱা হয় যে—আস্তিকৰ নাম ল'লে সৰ্প-ই সেই নাম-লওঁতাক কদাপি নোখোটে।

জানিব লগীয়া

১. ভূতৰ দ্বীপ (ডেভিলছ আইল্যাণ্ড) ক'ত আছে ?

২. ভাৰতৰ ৰেল-আলিৰ দৈৰ্ঘ্য কিমান ?

৩. কেৰলৰাজ্যৰ বিধানসভাত আসন-সংখ্যা কিমান ?

৪. ভাৰতৰ কোনখন ৰাজ্যত ইংৰাজি চৰকাৰী ভাষাৰূপে স্বীকৃত ?

৫. পক্ষী-বিশাৰদ ছলিম আলীৰ ব্যক্তিগত জীৱনৰ প্ৰিয় পক্ষী কি ?

৬. গণিতশাস্ত্ৰৰ 'লগাৰিদম্'ৰ ৰূপকাৰ কোন ?

৭. এনিমেশ্বন চিত্ৰপট নিৰ্মাণৰ বাবে আমাৰ দেশত কোনে স্টুডিঅ' স্থাপন কৰিছিল ? ক'ত ? তেওঁৰ কৃত প্ৰথম চিত্ৰপট কি ?

৮. সংযুক্ত ৰাষ্ট্ৰসংঘৰ সুবৰ্ণজয়ন্তী উপলক্ষে মলয়ালম্ ভাষাত ভাষণ দিবলৈ আমাৰ দেশৰপৰা কালৈ আমন্ত্ৰণ জনোৱা হৈছিল ?

৯. ৰাষ্ট্ৰসংঘত যোগদানকাৰী সৰ্বশেষ দেশখনৰ নাম কি ?

১০. ৰাষ্ট্ৰসংঘলৈ আমাৰ দেশৰ কোনগৰাকী গায়িকাই সংগীত-অনুষ্ঠান কৰিছিলগৈ ?

১১. ৰাষ্ট্ৰসংঘত ব্যৱহৃত ভাষাসমূহ কি ?

১২. দুখন নগৰক সংযুক্ত কৰা ভাৰতৰ ৰাষ্ট্ৰীয় ৰাজআলিৰ নাম কি ?

১৩. বিশ্বৰ বাণিজ্য-সম্পৰ্কীয় ডিৰেকটাৰ জেনেৰ্‌্যাল কোন ?

১৪. বিশ্ব-ক্ৰিকেট কাপৰ খেলাত পাকিস্তানে তেনেই কম ৰান্ কৰিছিল। তেওঁলোকে কোনখন দেশৰ সৈতে খেলিছিল ?

১৫. পৰৱৰ্তী বিশ্ব-ক্ৰিকেট ক'ত পতা হ'ব ?

জানক

১. দক্ষিণ আমেৰিকাস্থ ফ্ৰেঞ্চ গায়ানাৰ ওচৰত থকা এখন দ্বীপক 'ভূতৰ দ্বীপ' বুলি কোৱা হয়।

২. ৬২০০০ কি. মি.।

৩. ১৪০।

৪. নাগাল্যাণ্ড।

৫. গৌৰেয়া।

৬. জন্ নেপিয়াৰ।

৭. দাদা ছাহেব ফাল্কে বঁটাপ্ৰাপ্ত ডা° আনেকানি নাগেশ্বৰৰাজ।

৮. মাতা অমৃতানন্দময়ী।

৯. পালান ৰিপাবলিক।

১০. এম্. এছ. শুভলক্ষ্মী।

১১. আৰবীয়, চৈনিক, ইংৰাজি, ফৰাছি, ৰুশ্ আৰু স্প্যানিছ।

১২. দিল্লী—চণ্ডীগড়।

১৩. ৰেনাটো ৰুগিৰি।

১৪. ৪০.২ ওভাৰত ৭৪ ৰান্, ইংল্যাণ্ডৰ সৈতে, ১৯৯২ চনত।

১৫. ইংল্যাণ্ডত।

সোণালী দুৱাৰ—প্ৰথম সংখ্যাৰ প্ৰশ্নৰ উত্তৰ

১. স্কোৱাড্ৰন লিডাৰ ৰাকেশ শৰ্মা। ১৯৮৪ চন ৫ এপ্ৰিলৰ দিন আন দুগৰাকী ৰুশ্ মহাকাশচাৰীৰ সৈতে মহাকাশলৈ গৈছিল।

২. ছৱাই ৰজা জয়সিংহই জয়পুৰ নগৰত পৃথিৱীৰ যিটো সৰ্ববৃহৎ সূৰ্য্য-ঘড়ি নিৰ্মাইছিল, সেই ঘড়িক সম্ৰাট-যন্ত্ৰ নামেৰে অভিহিত কৰিছিল।



৩. কুজ, বৃহস্পতিৰ মাজত চেৰেছ নামৰ এক ক্ষুদ্ৰ উপগ্ৰহ (অস্টেৰড) পৰিলক্ষিত হয়। ১৮০১ চনৰ ১ জানুৱাৰিৰ দিনা আৱিষ্কৃত হৈছিল।

৪. পুৰীৰ জগন্নাথ-মন্দিৰ। শ্ৰীকৃষ্ণই গোকুলৰপৰা মথুৰালৈ আহিছিল। তাৰেই সোঁৱৰণীত প্ৰতি বছৰ উছৱ পতা হয়। এই উপলক্ষ্যে বিৰাট বিৰাট মূৰ্তি ৰথৰ ওপৰত স্থাপন কৰি লাখ-বিলাখ ভক্তই সেই ৰথ টানি নিয়ে।

৫. ফেব্ৰুৱাৰি ২৮. প্ৰতিদিন ঠিক ১ মিটাৰকৈ ২৭ দিনত ২৭ মি. পাৰ কৰে। ১২ দিনত ওপৰলৈ আহে।

চন্দ্ৰ-ৰহস্য

মহাকাশলৈ তথা জোনলৈ যোৱাজনে চন্দ্ৰ-দানৱৰ গৰ্জন শুনা নাছিল। কিয়নো চন্দ্ৰত অৰ্থাৎ জোনত ধ্বনি শুনিবপৰা ইথাৰযুক্ত বায়ুমণ্ডল নাই।



৬.



৭. অ. মহাৰাষ্ট্ৰ
আ. গোণ্ডৱন (মধ্য প্ৰদেশ)
ই. কুৰ্গ (কৰ্ণাটক)
ঈ. নাগাল্যাণ্ড

ৰান্ধনী ভূতুনী

ৰাণীগঞ্জৰ ৰণেশে তেওঁৰ ছোৱালীৰ বিয়া পতাৰ বাবে নিজৰ মাটি-বাৰীখিনি আশী হেজাৰ টকাত বেচি দিলে।

কিন্তু ছোৱালীজনীয়ে — সুনন্দাই তাইৰ দেউতাকৰ এই কামত মুঠেও ভাল নাপালে, আৰু তেওঁক ক'লে, "দেউতা, মোৰ বিয়া পাতিবৰ কাৰণে সৰ্বস্ব হেৰুৱাৰ —এই কথা হ'বই নোৱাৰে। এই টকাৰ কি ছু খি নি ৰে — কমেও মূৰ গুজিবৰ জোখাৰে ঘৰ এটা কিনক।"

ছোৱালীৰ কথাত যুক্তি থকাত ৰণেশে মানি ল'লে আৰু মাক-দেউতাক নোহোৱা আনন্দৰ ঘৰটো কিনি ল'লে।

আনন্দ আছিল বয়সত যুৱা, কিন্তু চাকৰি-বাকৰি একো নাপাই—ঘৰ-বেচা টকাৰে বেহা-বেপাৰ কৰিব বুলি ভাবি সুনন্দৰ দেউতাক ৰণেশৰ ওচৰলৈ ঘৰটো বেচি দিছিল আৰু ঘৰ এৰি দিছিল।

আনন্দৰ ঘৰটো কিনিয়েই পিতৃ-পুত্ৰী —ৰণেশ-সুনন্দা আনন্দৰে সেই ঘৰলৈ আহিল আৰু তৃপ্তিৰে থাকিবলৈ ল'লে। কিন্তু—এই ঘৰলৈ অহাৰ দিনৰেপৰাই সুনন্দা অসুস্থ হৈ পৰিল, আৰু তাই নিজৰ আৰু দেউতাকৰ কাৰণেও ৰন্ধা-বঢ়াত বৰ টান পালে।তাই ভাবি থাকিল : আজিৰ দিনটোৰ কাৰণে কোনোবা এজনী ৰান্ধনি মানুহ পোৱাহঁতেন, বৰ ভাল হ'লহেঁতেন।

"কেৱল আজিৰ দিনটোৰ কাৰণে কিয়, প্ৰতিদিনেই মই ৰান্ধি-বাঢ়ি খুৱাব পাৰিম।" এই বুলি কৈয়েই এজনী ভূতুনী সুনন্দাৰ আগত থিয় হ'লহি। তেতিয়া দেউতাক ঘৰত নাছিল।

ভূতুনীক দেখি সুনন্দা ভয়তে ধাৰৰ নলকঁপা দিবলৈ ধৰিলে। তেতিয়া

তুলসী নেওগ

ভূতুনীয়ে সুনন্দাক ক'লে, "ডৰ নকৰা, মই —তুমি ভৰাৰ দৰে—ভূতুনী নহয়, মই এই ঘৰটোৰ আচল মালিক আনন্দৰ মৃতা মাতৃ। মই জীয়াই থাকোঁতে তিনিখন ঘৰত ৰান্ধনিৰ কাম কৰি আনন্দৰ সৈতে পেট প্ৰৰ্তাইছিলোঁ।' গতিকে—এতিয়াও তোমালোকক ৰান্ধি-বাঢ়ি খুৱাব পাৰিম।"

ইতিমধ্যে সুনন্দৰ পিতাক ঘৰলৈ আহিছিল, আৰু তেতিয়া সুনন্দাই সকলো কথা দেউতাকক ক'লে। শুনি ৰণেশ অত্যন্ত দমি গ'ল, আৰু ক'লে, "আমি যে —কিমান যে দুৰ্ভগীয়া। ঘৰ কিনিলোঁ— ভূতুনীৰ ঘৰ!"

সুনন্দাই ক'লে, "দেউতা, বৰ চিন্তা নকৰিব। এইজনী ভূতুনী হ'লেও—ভাল স্বভাৰৰ যেনেই পাইছোঁ। এইজনীৰ মাত-কথাও কোমল, প্ৰকৃতিও মৃদুল।"

দেউতাকে কিবা ক'বলৈ লওঁতেই ৰান্ধনী ঘৰৰপৰা ভূতুনীয়ে কৈ উঠিল, "বাপ-বেটী আহঁা, ভাত খাবলৈ বহঁাহি, খানা তৈয়াৰ।"

দুয়ো ডৰে-ডৰে লাহে ধীৰে ৰান্ধনী ঘৰলৈ আহিল, আৰু ভাত-অঞ্জা খাই থাকিল। ৰান্ধন বেয়া নহয়, ভালেই পালে ৰণেশ আৰু সুনন্দাই। ভূতুনীয়ে কৈ উঠিল, "কাইলৈৰপৰা মই ধলপুৱাতে আহিম, আৰু খানা তৈয়াৰ কৰি থৈ যাম।" এই বুলি কৈয়েই ভূতুনী গ'ল গৈ।

এইদৰে — অভাৱিতভাৱে ৰান্ধনৰ-বাঢ়নৰ কষ্টৰপৰা ৰেহাই পাই সুনন্দাই ভালেই পাইছিল, কিন্তু দিন-প্ৰতিদিন হুবহু একেইবিধৰ পদ-পদাৰ্থ ৰান্ধি থৈ যোৱাৰ ফলত দহ দিনতে আমনি পালে। আৰু—ৰাতিৰ পৰতে ভূতুনীয়ে যেতিয়া ৰান্ধি-বাঢ়ি দিছিল—তেতিয়া প্ৰায় মাজ নিশায়েই হৈছিল। ই-ও যথেষ্ট আমনি-দায়ক আছিল।

এদিন সুনন্দাই ৰান্ধনী ভূতুনীক ক'লে, "তুমি আৰু ৰান্ধন-বাঢ়ন নকৰিলেও হ'ব, মই নিজেই কৰি ল'ম। তুমি বৰঞ্চ তোমাৰ ল'ৰা—আনন্দৰ ঘৰলৈ যোৱা আৰু তাক ৰান্ধি-বাঢ়ি দিয়াগৈ। কিয়নো —সি অকলশৰীয়া মানুহ, কষ্ট কৰি

নিজেই ৰান্ধি খাব লাগিছে।"

"কেতিয়াও নাযাওঁ তালৈ।" ভূতুনীয়ে ক'লে, "সি যেতিয়া গম পাব মই তাৰ মাৰ—তেতিয়া সি কান্দি থাকিব মোৰ দশা দেখি। আৰু—সি এতিয়া দুয়ো হাতে আৰ্জিছে, গতিকে—সি লাগিলে পাঁচজনী ৰান্ধনীও ল'ব পাৰে।"

সুনন্দাই গমিলে, এইজনী ৰান্ধনী-ভূতুনীক সহজতে খেদিব পৰা নহ'ব। তাই এইবাৰ মৰ-চেষ্টা দিলে আৰু ভূতুনীক ক'লে, "তোমাৰ ৰান্ধনো আমাৰ পছন নহয়, গতিকে তুমি যাবগৈ পাৰা।"

শুনিয়েই ভূতুনীয়ে কৈ উঠিল, "এই-বোৰনো কি কথা? মোৰ ৰান্ধনো পছন নহৈ পাৰেনে—? শুনা, ৰোষ বুজি ক'বা, তেহে সুখ পাবা। তোমালোকে—বাপে-বেটীয়ে চুপচাপ মোৰ খানা খাবা, নহ'লে জালত, বা খালত পৰিবা।"

আৰু সেইদিনাৰেপৰাই ভূতুনীয়ে আঞ্জাত ইমনাকৈ জলা আৰু তেল দি থাকিল যে— সুনন্দাইঁতৰ এমাহৰ বস্তু পোন্ধৰ দিনতে খতম্ হৈ থাকিল আৰু সিহঁতে প্ৰমাদ গণিলে।

এনিশা বাপ-বেটীয়ে যেতিয়া সেই ভূতুনী-ৰান্ধনীয়ে ৰন্ধা খানা খাই আছিল, তেতিয়া সুনন্দাৰ সৰুক'লীয়া সখিয়েক সুনীতা হঠাৎ সিহঁতৰ ঘৰলৈ আহিল।

ইমান ৰাতি—প্ৰায় মাজনিশাৰ পৰতে

ভাত খাবলৈ দেখা পাই সুনীতাই অবাক মানি সখিয়েক সুনন্দাক সুধিলে, "ইমান ৰাতি—এই দুপৰ ৰাতিতে খোৱা-বোৱা কৰিছ যে—?"

"ভাগৱত-কথা শুনিবলৈ মন্দিৰলৈ যোৱা বাবেহে ইমান দেৰী হৈ গ'ল।—তোৰ—তহঁতৰ ভালনে?" সুনন্দাই সুধিলে।

তাৰ পাছত দুয়োজনী সখিয়েকে পালেঙৰ ওপৰত বহি ইকথা-সিকথা কত কথা পাতি থাকিল। আৰু এসময়ত সুনন্দাই কথাই কথাই সখিয়েক সুনীতাক ক'লে এই ঘৰটো কিনাৰ, আৰু লগতে ৰান্ধনী ভূতনীৰো কাহিনী। লগতে—বহু চেষ্টাতো যে সিহঁতে ৰান্ধনী ভূতুনীৰ কবলৰপৰা ৰেহাই পোৱা নাই—আৰু



"কিন্তু আনন্দৰ তো এই খবৰ নাই যে তাৰ ঘৰটো কিনি লৈ আমি এতিয়া কিমিনি বিপাণ্ডত পৰিছোঁ।"

সুনীতি অলপ পৰলৈ চুপচাপ থকাৰ অন্তত হঠাৎ পালেঙৰপৰা নামি দিলে আৰু সুনন্দাৰ কাণে কাণে কিবা কিবি ক'লেগৈ।

সুনন্দাই সুনীতিৰ কথৰ উত্তৰত ক'লে, "ঠিক আছে, তুমি যি ক'বা তাকে কৰিম, তুমি যেনেকৈ কৰাবা কেনেকৈয়েই কৰিম।"

সেই দিনাই—ৰান্ধনী ভূতুনী অহাৰ আগে আগে সুনীতি শুচি গ'ল।

সুনীতিও শুচি গ'ল, আৰু ভূতুনীও আহিল। সুনন্দাই ভূতুনীক ক'লে, "শুনা, আমি জৰুৰী কামত চহৰলৈ যাম আৰু কমেও পোন্ধৰ দিন তাত থাকিম।"

ভূতুনীয়ে তীব্ৰ কণ্ঠেৰে ক'লে, "কিন্তু পোন্ধৰ দিনৰ অন্তত নাহিছা যদি—তোমালোকৰ সৰ্বনাশ কৰি থৈ যাম।"

যি কি নহওক— পাছ দিনা সিহঁত সঁচাসঁচিকৈ চহৰলৈ গ'ল, আৰু সুনীতিৰ প্ৰচেষ্টাৰে সাতদিনৰ ভতৰতে আনন্দৰ সৈতে সুনন্দাৰ বিয়াখন পতা হৈ গ'ল।

আৰু বিয়াৰ এসপ্তাহৰ পাছত পতি আনন্দৰ সৈতে সুনন্দাই পুনৰ সেই ঘৰলৈ উভতি আহিল।

তেতিয়া ভূতুনীয়ে নাৰিকলৰ শাহ পিহি লৈ চাটনি বনাই আছিল। সুনন্দাই

ভূতুনীয়ে সিহঁতৰ জীৱন কেনেকৈ যে জেবৰাৰ কৰি তুলিছে—সেই কথাখিনিও ভাঙি-পতিয়েই ক'লে।

এই কথা শুনি অবাক মানি সুনীতিয়ে সুনন্দাক ক'লে, "কিনো কৈছা? এই ভূতুনীজনী—আনন্দৰ মাৰ? আনন্দ হ'ল মোৰ ভাইটোৰ বন্ধু। আনন্দ সদায় আমাৰ ঘৰলৈ আহে। আনন্দ হ'ল পৈণত বোৱী। আনন্দই যে তাৰ আৰ্থিক অভাৱৰ কাৰণেই ঘৰটো বেচিবলৈ বাধ্য হৈছে—তাৰ বন্ধুক কেইবাবাৰো কোৱা আমি শুনিছোঁ, আৰু এই কাৰণে সি তাৰ মনৰ দুঃখও প্ৰকাশ নকৰা নহয় যে—উপৰিপুৰুষৰ ভেটি-মাটি বেচি সি বৰ দুখহে পোৱা হৈছে বুলিহে কৈছে।"

ৰান্ধনী ভূতুনীক ক'লে, "আই, তোমাৰ ল'ৰাই এই চাটনিতকৈ সৰু সৰু ভেণ্ডিৰে বনোৱা চাটনিহে ভাল পায়।"

শুনি ভূতুনী ৰান্ধনীয়ে উচপ খাই উঠি ক'লে, তাৰ মানে—তুমি আনন্দক বিয়া কৰাবলৈহে চহৰলৈ গৈছিলানে কি?"

"ওঁ- ওঁ। আৰু তোমাৰ ল'ৰা কিছুদিনলৈ এইটো ঘৰতেই থাকিব। গতিকে— প্ৰতিদিন ভাল ভাল বস্তু ৰান্ধিবা,—তুমি যে সঁচাসঁচিকৈ ভালবো ভাল ৰান্ধনী—তেওঁ যাতে বুজি পায়।" সুনন্দাই ক'লে।

তেতিয়া ৰান্ধনী ভূতুনীয়ে চকু ৰঙা কৰি ক'লে, "ৰ'ব্বা, বো'ৱী। এতিয়াহে জানিলোঁ—তুমি যে কিমান চতুৰজনী। তুমি তোমাৰ শাহুৰেৰাৰে ৰান্ধন-বাঢ়ন কাম-বন কৰাবা, আৰু নিজে হাত-ভৰি মেলি পালেঙত শুই-বহি দিন কটাবা। কিন্তু মই তোমাক এনেকৈ হাৰামৰ আৰাম কৰিবলৈ নিদোঁ। শুই-বহি আয়মেৰে খাবা, আৰু গপ-চপ মাৰি দিন কটাবা— এই কথা নহৈছে, হ'বলৈ নিদিছোঁ মই। বৰ চালাকিৰে মোৰ বেটাক বিয়া কৰাই বান্দী খটোৱাৰ ফন্দী মই পুলিতেই নষ্ট কৰি পেলাম। তোমাক তোমাৰ চালাকিৰ উচিত শিক্ষা দিলোহেঁতেন, কিন্তু তেতিয়া মোৰ ল'ৰাটোয়ো বৰ আহুকাল পাব বুলি তুমিও ৰেহাই পালা। ল'ৰাটোৱে মোক এই অৱস্থাত দেখা পালে বৰ দুখ পাব বুলিহে—তাৰ মন প্ৰাণত আঘাত লাগিব বুলিহে—মই বাধ্যত পৰি তোমালোকক ৰেহাই দিম আৰু ইয়াৰপৰা গুচি যাম। এতিয়াৰপৰা তোমাৰ পাকঘৰ তুমিয়েই চম্ভালি থকা, আৰু মোৰ ল'ৰাটোক ভালবো ভালকৈ খুৱাই থাকা।" এই বুলি কৈয়েই ৰান্ধনী ভূতুনী নিমিষতে নোহোৱা হৈ গ'ল।

বুদ্ধিমতী সুনীতিৰ বুদ্ধিৰে এই উপায়েৰে সুনন্দাইত ভয়লগা ভূতুনীৰ ভয়ৰপৰা ৰেহাই পাইছিল।



বান্দৰ হ'ল বন্ধু

কোনোবা এখন চহৰত এজনী দুখুনী বাঁৰী তিৰোতা আছিল। বাঁৰী-তিৰোতা জনীৰ আছিল একেটি মাথোন ল'ৰা। আৰু এই ল'ৰাটিৰ নাম আছিল — গোবৰগণেশগোপাল।

দেউতাক ঢুকাওঁতে গোবৰগণেশৰ বয়স আছিল পোন্ধৰ বছৰ। গোবৰগণেশ সি নামতো—আৰু কামতো। সি য'তেই যেতিয়া বহিছিল—বহিয়েই থাকিছিল, শুলে শুয়েই থাকিছিল।

গোবৰগণেশ-গোপালৰ মাকে কৈছিল, "কি কৰিম, ঈশ্বৰে তাক তেংকৈ ছিষ্টি কৰিলে — মইনো কি কৰিম?"

গোবৰগণেশহঁতৰ ঘৰৰপৰা অলপমান আঁতৰত আছিল মুদ্ৰাগুপ্ত নামৰ এগৰাকী ডাঙৰ বণিজাৰৰ ঘৰ। তেওঁ—মুদ্ৰাগুপ্তই বাণিজ্য কৰিবলৈ জাহাজেৰে চীনদেশলৈ যাব বুলি শুনি গোবৰগণেশৰ মাকে গোবৰক লগত লৈ মুদ্ৰাগুপ্তৰ কাষ চাপিল। দয়ালু বণিজাৰু মুদ্ৰাগুপ্তই গোবৰগণেশগোপালক পাঁচটা ৰূপৰ মুদ্ৰা দিলে আৰু এই মুদ্ৰাৰে বেহা-বেপাৰত ধৰিবলৈ পৰামৰ্শ দিলে।

গোপালক অৰ্থাৎ গোবৰগণেশক দেখি মুদ্ৰাগুপ্তৰ মনত দয়াভাৱ জাগিছিল, যদিও গোবৰগণেশৰ মনত কোনো বিধৰ ভাৱেই জগা নাছিল।

কিন্তু গোবৰগণেশগোপালে হঠাৎ এটি আজৱ কাম কৰা হ'ল। পাঁচটা ৰূপৰ মুদ্ৰাৰে কি কৰিব ভাবি নাপাই—মুদ্ৰা-কেইটা মুদ্ৰাগুপ্তৰ হাতত গটাই দি গোপালে মুদ্ৰাগুপ্তক ক'লে, "এই মুদ্ৰা-কেইটাৰে চীনদেশৰপৰা মোৰ বাবে — কিবা কিনি আনি দিয়ে যদি—তাৰে মই

'পঁচিছ বছৰৰ আগতে চান্দমামাত প্ৰকাশিত কাহিনী'

বেহা-বেপাৰ আৰম্ভ কৰিম।"

দয়ালু মুদ্ৰাগুপ্তই মিঠাকৈ হাঁহিলে, "ঠিক আছে, সেয়ে হ'ব বোপা।"

গোপালে স্বস্তিৰ উশাহ পেলাই ঘৰলৈ উভতি আহিল আৰু লগে লগে বিছনাত দীঘল দি পৰিল।

তাৰ পাছত এক শুভদিনত শুভ মুহূৰ্তত মুদ্ৰাগুপ্তই চীনদেশলৈ বুলি জাহাজ এৰিলে আৰু অনুকূল বায়ু পাই জাহাজেও সাগৰৰ বুকু ফালি ফালি আগবাঢ়িলে। বাটত অনেক বন্দৰত মুদ্ৰাগুপ্তৰ জাহাজ ৰ'ল, আৰু সেইবোৰ বন্দৰত ভালেই বাণিজ্য কৰা হ'ল।

নানান ঠাইত বাণিজ্য কৰি কৰি মুদ্ৰাগুপ্তই যেতিয়া এদিন চীনদেশ পালেগৈ, তেতিয়া সৰ্বপ্ৰথমে তেওঁৰ মনত পৰিল গোবৰগণেশগোপালৰ কথা। পাঁচটা ৰূপৰ মুদ্ৰাৰে চীনদেশৰপৰা তাৰ কাৰণে কিবা লৈ যাব লাগিব—যাৰে সি বেপাৰ কৰিব পৰা হ'ব লাগিব।—কিনো লৈ যাব তেওঁ?

কিন্তু চীনদেশত বিপুল পৰিমাণৰ বাণিজ্য কৰি থাকোঁতে মুদ্ৰাগুপ্তই গোবৰগণেশৰ কাৰণে লৈ যাব লগা বস্তুৰ কথা সমুলি পাহৰি থাকিল।

মনত পৰিল—চীনদেশৰপৰা ওভোতা বাটত। কি কৰে এতিয়া? ক'ৰপৰা কি ল'ব? সমস্যাত পৰিল তেওঁ।



গৈ গৈ জাহাজখন পূৰ্বদ্বীপৰ এক বন্দৰত ৰ'লগৈ। বন্দৰত কেৱল বেপাৰী-বণিজাৰেই নহয়, কত যে ধৰণৰ মানুহ! এজন মানুহৰ ওচৰত থকা, তিনিটা বান্দৰ দেখা পাই মুদ্ৰাগুপ্তই ভাবিলে: গোবৰ-গণেশৰ কাৰণে বান্দৰ এটা লৈ গ'লে কেনে হয়? ভাবি ভাবি স্থিৰ কৰিলে যে গোবৰগণেশৰ কাৰণে বান্দৰ এটা—যদিহে মানুহজনে বেচে—লোৱা যাওক।

দুটা বান্দৰ আছিল ডেকা, আৰু এটা বুঢ়া। ডেকা বান্দৰ দুটাই জঁপিয়াজঁপি কৰিছিল, কিন্তু বুঢ়া বান্দৰটোৱে সাগৰৰ পানীলৈ চাই জুপুকা মাৰি বহি আছিল। তাৰ লৰণ-চৰণেই নাই।

মুদ্ৰাগুপ্তই বান্দৰৰ মালিকজনক

সুধিলে যে সি বান্দৰ এটা বেচিবনে কি, আৰু—বেচে যদি কিমান ল'ব।

মানুহজনে ক'লে, "বাবুজী —ডেকা দুটাৰ দাম ঢেৰ। আনকি শও মুদ্ৰাতো মই নিদিওঁ। পিছে—এই বুঢ়াটোক ল'ব পাৰে।"

দৰ-দাম কৰি, মুদ্ৰাগুপ্তই তিনিটা ৰূপৰ মুদ্ৰাৰে বুঢ়া বান্দৰটোকে কিনি ল'লে।

এই বান্দৰটো আছিল গোবৰগণেশৰ দৰেই সৰপা। দিনটোৰ বেছিৰভাগ সময়তেই বুঢ়া বান্দৰটোৱে শুই থাকে, লৰচৰো নকৰে। তাক শিকলিৰে বান্ধিবৰো দৰকাৰ নহয়।

গৈ গৈ জাহাজখনে মুকুতাদ্বীপ পালেগৈ। এইখন দ্বীপৰ সাগৰত প্ৰচুৰ মুকুতা তথা মুকুতাভৰা শমুক পোৱা যায়। এই দ্বীপৰ অধিবাসীহঁতৰ অধিকভাগৰে জীৱিকা হ'ল সাগৰত ডুব দি মুকুতা-বোটলা। কেতিয়াবা কেতিয়াবা বিৰাট বিৰাট আকাৰৰ বহুমূল্য মুকুতাও পায় সিহঁতে। কিন্তু সৰু হওক ডাঙৰ হওক—জাহাজীহঁতৰ ওচৰত সস্তা দামেৰে বেচিবলৈ বাধ্য হয়।

জাহাজখন দ্বীপৰ জাহাজঘাটত নৌৰওঁতেই হঠাৎ বুঢ়া বান্দৰটোৱে ডেকা এটাৰ দৰেই সাগৰৰ পানীলৈ জাঁপ মাৰিলে। মুদ্ৰাগুপ্তই বন্দৰটোৰ কাণ্ড চাই ভাবিলে যে—ই বুঢ়া আৰু সাগৰৰ পানীৰপৰা উঠি আহিব নোৱাৰিব. নিশ্চয় মৰিব। কিন্তু চাওঁতে চাওঁতে বুঢ়া বান্দৰটো সাগৰৰ পানীৰপৰা জাহাজৰ ওপৰলৈ উঠি আহিল কিছুমান ডাঙৰ ডাঙৰ শামুক্‌ৰে সৈতে।

বান্দৰটোৱে সেইবোৰ মুকুতাভৰা শামুক এঠাইত থৈ; পুনৰ সাগৰৰ পানীলৈ জঁপিয়াই পৰিল, আৰু পুনৰ মুকুতাৰ শামুক এসোপা বুটলি লৈ আহিল। এইদৰে বুঢ়া বান্দৰটোৱে কেইবাবৰো সাগৰলৈ জঁপিয়াই পৰি ঢেৰ মুকুতাৰ শামুক বুটলি লৈ আহিল।

জাহাজৰ অন্যান্য বেপাৰীয়ে, আৰু মুদ্ৰাগুপ্তয়ো মুকুতা-বেচোঁতাহঁতৰপৰা মুকুতাৰ শামুক কিনি ল'লে। প্ৰতিজন

বেপাৰীয়ে মাত্ৰ এটাকৈহে মুকুতা পালে। কিন্তু বুঢ়া বান্দৰে সাগৰৰ পানীৰপৰা বুটলি অনা শামুকবোৰৰপৰা সকৰে-ডাঙৰে মিলাই অনেক মুকুতা পাই মুদ্ৰাগুপ্তই আচৰিত হৈ ভাবিলে: ইয়াকে বোলেনে ভাগ্য? গোবৰগণেশগোপালৰ শুই থকা ভাগ্যতে ইমান মুকুতা পাব লাগেনে? যি কি নহওক—গোবৰগণেশৰ নামত কিনা বুঢ়া বান্দৰে বুটলি অনা মুকুতাবোৰ মুদ্ৰাগুপ্তই আছুতীয়াকৈ সযতনে থৈ দিলে।

কিন্তু মুদ্ৰ গুপ্তই এই কথা ভাবি বৰ আচৰিত মানিলে যে—জাহাজখনে এই দ্বীপ পোৱাৰ লগে লগেই বুঢ়া বান্দৰটোৱে ইয়াত মুকুতাৰ শামুক পোৱা যাব বুলি কেনেকৈ অনুমান কৰিছিল।

এই মুকুতাদ্বীপৰপৰা দুজনমান বেপাৰী মুদ্ৰাগুপ্তৰ জাহাজত উঠিছিল। সেই দুজনৰ এজনে মুদ্ৰাগুপ্তক ক'লে যে এই বান্দৰটো এইখন দ্বীপৰে বান্দৰ, ইয়াতে জীৱনৰ বহুকাল কটাইছিল বুলিহে ই এই দ্বীপৰ তথা সাগৰৰ বহুতো কিবা-কিবিয়েই জানে. জানে দ্বীপৰ কথা, জানে সাগৰৰ কথা, সাগৰত থকা মোতিৰ অৰ্থাৎ মুকুতাৰ কথা। কিন্তু ইমান কথা জনা সত্বেও — বান্দৰটোৱে তাৰ তেতিয়াৰ মালিকৰ কথা নুশুনিছিল. বান্দৰ-খেল শিকাৰ কাযলৈকো নগৈছিল বুলিহে বান্দৰটোক বেচি দিছিল। বান্দৰটোৰ তেতিয়াৰ মালিকে বান্দৰটোৰ প্ৰকৃত মোল বুজা নাছিল।

গোবৰগণেশগোপালৰ বান্দৰে বুটলি অনা মুকুতাখিনি মুদ্ৰাগুপ্তই অপাৰ সাধুতাৰে গোবৰগণেশক দিলে, আৰু সেই মুকুতা-বেচা ধনেৰে বিৰাট ধনী হৈ, আটোমটোকাৰীকৈ ঘৰ সাজি, ধুনীয়া চাই এজনীক বিয়া কৰাই, একালৰ সৰপাৰো সৰপা গোবৰগণেশগোপালে সোণ-ৰূপৰ গৃহস্থালিৰ বলিশালত ডিঙি পাতি জীৱন অতিবাহিত কৰিলে।

ফটো-নামকৰণ প্ৰতিযোগিতা : : পুৰস্কাৰ ১০০ টকা

পুৰস্কৃত নাম.১৯৯৬ চনৰ অক্টোবাৰ সংখ্যাত প্ৰকাশিত হ'ব।



MAHANTESH C. MORABAD

MAHANTESH C. MORABAD

* ফটো-নামকৰণ দুই-তিনিটা শব্দৰ ভিতৰত হ'ব লাগিব আৰু শব্দকেইটাৰ মাজত ছন্দগত মিল থাকিব লাগিব। প্ৰতিযোগিতা 'কোন মাহৰ বাবে' তাৰ উল্লেখ অৱশ্যেই থাকিব লাগিব। ১৯৯৬ চনৰ অগাস্ট মাহৰ ২০ তাৰিখৰ ভিতৰত আমাৰ হাতত পোৱাকৈ পঠাব লাগিব।
* সৰ্বশ্ৰেষ্ঠ নামকৰণকাৰীক (দুটা নামকৰণ বাবে) সৰ্বমুঠ ১০০ টকা পুৰস্কাৰ দিয়া হ'ব।
* ফটো-নামকৰণ কেৱল প'ষ্টকাৰ্ডত লিখি তলৰ ঠিকনালৈ পঠাব লাগিব :

ঠিকনা : CHANDAMAMA PHOTO CAPTION COMPETETION. (ASSAMESE)
CHANDAMAMA BUILDINGS, VADAPALANI, MADRAS—600 026

১৯৯৬ চনৰ জুন মাহৰ ফটো-নামকৰণ প্ৰতিযোগিতাৰ ফলাফল :

অনিবাৰ্য্য কাৰণত এইবাৰৰ পুৰস্কাৰ স্থগিত থাকিল।

ভাৰতত বছৰেকীয়া বৰঙনি চান্দমামা ১২.০০ টকা মাথোন
বৰঙনিৰ ধন তলৰ ঠিকনালৈ পঠাব লাগিব :
Dolton Agencies, Chandamama Buildings, Vadapalani, Madras-600 026

Printed by B.V. REDDI at Prasad Process Private Ltd., 188 N.S.K. Salai, Madras 600 026 (India) and Published by B. VISHWANATHA REDDI on behalf of CHANDAMAMA PUBLICATIONS, Chandamama Buildings, Vadapalani, Madras 600 026 (India). Controlling Editor: NAGI REDDI.

The stories, articles and designs contained herein are exclusive property of the Publishers and copying or adapting them in any manner will be dealt with according to law.

THE MOST ENDEARING GIFT YOU CAN THINK OF
FOR YOUR NEAR AND DEAR WHO IS FAR AWAY

CHANDAMAMA

Give them the magazine in the language of their choice
Assamese, Bengali, English, Gujarati, Hindi, Kannada,
Malayalam, Marathi, Oriya, Sanskrit, Tamil or Telugu
–and let them enjoy the warmth of a home away from home.

Subscription Rates (Yearly)

AUSTRALIA, JAPAN, MALAYSIA & SRI LANKA

By Sea mail Rs. **129.00** By Air mail Rs. **276.00**

**FRANCE, SINGAPORE, U.K., U.S.A.,
WEST GERMANY & OTHER COUNTRIES**

By Sea mail Rs. **135.00** By Air mail Rs. **276.00**

**Send your remittance by Demand Draft or Money Order favouring
'Chandamama Publications' to :**
CIRCULATION MANAGER, **CHANDAMAMA PUBLICATIONS,** CHANDAMAMA BUILDINGS
VADAPALANI, MADRAS 600 026

CHANDAMAMA (Assamese) August 1996 Regd. No. TN / MS (S) 87

শিক্ষকৰ মনপচন্দৰ
অপ্সৰা বিউটি পেন্সিল

Apsara®
বিউটি
বণ্ডেড লেড ★ এইচবি পেন্সিল